# Assam Legislative Assembly Debates

## Official Report

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Third Session

## Vol. III

### No 6

THE 9 TH SEPTEMBER, 1983

Price Rs. 9·70

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1983

# Third Session

VOL.-III

NO.—6

Dated, the 9th September, 1983

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ......... ......... ......... | 1 |
| 2. | Voting on Demands for Grants ... ......... | 26 |
| 3. | Adjournment ...... ......... ......... | 50 |

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY - 1983

Friday September 9-9-1983

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

Date : 9th September, 1983

### বিঃ লাওখোৱা ৰিজাৰ্ভত থকা গড়ৰ সংখ্যা

শ্ৰীআবু নচৰ অহিদে সুধিছে ঃ

* ৩৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাঁও জিলাৰ লাওখোৱা ফৰেষ্ট ৰিজাৰ্ভত ১৯৮০ চনত আৰু পূৰ্ব্ববৰ্ত্তী বছৰত কিমান গড় আছিল ?

(খ) বৰ্ত্তমান বছৰৰ আগষ্ট মাহত তাত কিমান গড় আছে ?

(গ) এই কথা সচাঁনে যে উক্ত ৰিজাৰ্ভত বৰ্ত্তমানে এটাও গড় দেখিবলৈ পোৱা নাযায় ?

(ঘ) এই কথা সচাঁনে যে, এজন বন বিষয়াই গড়ৰ খৰ্গ আনিবলৈ যোৱাত গড়েই তেখেতক খুণ্ডিয়াই মাৰিলে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) লাওখোৱা অভয়াৰণ্যত ১৯৮০ চনত বা তাৰ আগত থকা গড়ৰ পিয়ল কৰা হোৱা নাই।

(খ) লাওখোৱা অভয়াৰণ্যত থকা গড়ৰ সংখ্যা এতিয়ালৈকে গণনা কৰা হোৱা নাই বাবে সঠিক সংখ্যা জনা নেযায়।

(গ) সচাঁ নহয়।

(ঘ) ১৬/৩/৮৩ তাৰিখে শ্ৰীৰবীন শইকীয়া নামৰ ৰেঞ্জাৰ এজনে বন্দুকৰ গুলিৰ শব্দ শুনা বুলি বাতৰি পাই পুলিচৰ বিষয়া এজনক লগত লৈ তদন্ত কৰিবলৈ যাওতে পোৱালী থকা গড়ৰ সন্মুখত পৰে আৰু গড়ে খুন্দিওৱাত মৃত্যু হয়।

শ্ৰীআবু নচৰ অহিদ ঃ— অধ্যক্ষ মহোদয়, এইটো কথা সচাঁ নে যে এই ৰেঞ্জাৰ জনৰ এজন ভটিজাকেও বনবিভাগত কাম কৰে আৰু দুয়োয়ে

মিলি কেইবাটাও ঘৰ কৰাৰ পিচত এই ৰেঞ্জাৰ জনৰ মৃত্যু হয়। সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— তেখেতৰ ভটিজাকে বন বিভাগত চাকৰি কৰে নে নকৰে সেইটো বৰ্ত্তমান মোৰ হাতত নাই। কিন্তু মই এটা কথা কব পাৰো যে বন্দুকৰ গুলিৰ শব্দ শুনাৰ পিচত এই ৰেঞ্জাৰজনে লগত পুলিচ বিষয়া লৈ ঘটনা স্থলীলৈ গৈছিল আৰু তাতেই পোৱালি থকা গড়ৰ খুন্দাত তেখেতৰ মৃত্যু হৈছিল। গতিকে পুলিচ বিষয়া লগত নিয়ালৈ চায় তেখেতে গড়ৰ খৰ্গ আনিবলৈ যোৱা কথাটোৰ সত্যতা নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে যে এই অভয়াৰণ্যত ১৯৮২ চনত ১০ টা আৰু ১৯৮৩ চনত ৬৪ টা গড় মৰা হৈছিল। এই কথাটো সচাঁ নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :— এই অৰণ্যত ১৯৮২ চনত ৩ টা আৰু ১৯৮৩ চনত ২৭ টা গড় মৰা হৈছে।

মঃ বৰকত উল্লাহ :— মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা জনাবনে যে এই অভয়াৰণ্য খন চৰকাৰৰ হাতত থকা স্বত্বেও তাত কিমান গড় আছে সেই হিচাবটো চৰকাৰৰ হাতত কিয় নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী :— এই অভয়াৰণ্য খন চৰকাৰৰ হাতলৈ অহাৰ পিচৰ পৰাই দেশত এটা অস্থিৰ অৱস্থাই বিৰাজ কৰাত তাত চেঞ্চাচৰ কাম আৰম্ভ কৰিব পৰা হোৱা নাছিল আৰু যি পৰিমানে কৰ্মচাৰী নিয়োগ কৰিব লাগিছিল সেই তুলনাত কৰ্ম্মচাৰী নিয়োগ কৰিব নোৱাৰাৰ কাৰণেও এই কামত ব্যাঘাত জন্মিছিল। এইবোৰ কাৰণতেই তাত চেঞ্চাচৰ কাম সম্পূৰ্ণ কৰিব পৰা হোৱা নাই।

শ্ৰীআবু নচৰ অহিদ :— অধ্যক্ষ মহোদয়, এই অভয়াৰণ্যৰ ভিতৰত প্ৰায় ১২ খন বিল আছে আৰু তাত দিনে প্ৰায় ১০০ খন নাৱেৰে মাছ মৰা হয়। এই বিষয়াৰ চৰকাৰে কিবা ব্যৱস্থা লৈছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী :— এইটো বেলেগ বিষয়। ইয়াৰ বাবে বেলেগে প্ৰশ্ন আহিব লাগিব।

**বিঃ অসমৰ স্থায়ী ৰাজধানীৰ স্থান নিৰ্ণয়।**

শ্ৰীবলোৰাম নাগে সুধিছে :

* ৩৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ স্থায়ী ৰাজধানীৰ বাবে কোন খন ঠাই নিৰ্ণয় কৰা হৈছে আৰু এতিয়ালৈকে তাৰ নিৰ্ম্মান কাম আৰম্ভ কৰা হোৱা নাই কিয় ?

(খ) নগাওঁ জিলাৰ শিলঘাট ( কলিয়াবৰ ) অঞ্চলটো অসমৰ মধ্যস্থল গতিকে এই ঠাইত ৰাজধানী নিৰ্ম্মান কৰিবলৈ অসম চৰকাৰে এতিয়ালৈকে ঘোষণা কৰা নাই কিয় ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) (খ) অসমৰ স্থায়ী ৰাজধানী স্থান নিৰ্ণয় কৰা বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে । স্থান নিৰ্ণয় কৰা হলেহে নিৰ্ম্মানৰ কাম হাতত লব পৰা হব । স্থান নিৰ্ণয় সম্পৰ্কে সোনকালে এটা সিদ্ধান্ত লবলৈ চৰকাৰে ব্যৱস্থা লৈছে ।

শ্ৰীমোহন বসুমতাৰী :— অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা জানিব বিচাৰিছো যে এই নতুন ৰাজধানী খনত হেনো ১০০ কোটি টকা খৰচ কৰিবলৈ বিচৰা হৈছে, এই কথাটো সঁচা নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— হয় ।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব পাৰো নে যে এইখন যদি স্থায়ী ৰাজধানী নহয়েই তেনেহলে ইমান টকা খৰচ কৰাৰ কি প্ৰয়োজন আছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— অৱশ্যে এতিয়াৰ ৰাজধানীখনক অস্থায়ী হিচাবেহে ঘোষণা কৰা হৈছিল আৰু সেইমতে টকা খৰচ কৰা হৈছিল। স্থায়ী ৰাজধানীৰ কাম পিচত আৰম্ভ কৰা হব ।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব পাৰোনে যে এই স্থায়ী ৰাজধানীত কিমান টকা খৰচ পৰিব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—আগৰ হিচাপ মতে ৬০ কোটি টকা খৰচ পৰাৰ কথা আছিল কিন্তু এতিয়া তাত ১০০ কোটি টকা খৰচ পৰিব ।

## বিঃ অসম বীজ নিগমৰ দ্বাৰা গছ পুলি ক্ৰয় ।

শ্ৰীহেমেন দাসে সুধিছে :

* ৩৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম বীজ নিগমে ১৯৮২-৮৩ চনত কি কি গছপুলি আৰু কলম ক্ৰয় কৰিছে ?

(খ) প্ৰতিবিধ গছপুলি আৰু কলমত কিমান টকা খৰচ হৈছে ?

(গ) এই পুলি ও কলমবোৰ কোনে যোগান ধৰিছে জনাবনে ?

শ্ৰীগোলক ৰাজবংশী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) (খ) ১৯৮২-৮৩ চনত তলত উল্লেখ কৰা ফলমূলৰ পুলি আৰু কলম ক্ৰয় কৰা হৈছে। প্ৰতি বিধৰ মূল্য উল্লেখ কৰা হল।

(১) থলুৱা জাতৰ—৩০৬৪৫ টা নাৰিকলৰ পুলি মূল্য ১,৯৬,৭৪০˙৯০
প্ৰতিটোৰ মূল্য ৬˙৪২

(২) পূৱ উপকুলীয় জাতৰ নাৰিকলৰ পুলি—৯,৯৫০ টা মূল্য ৬৭১৬২˙৫০ টকা
প্ৰতিটোৰ মূল্য ৬˙৭৫

(৩) চপেটাৰ কলম—১, ২৩৪ টা মূল্য ৩,৯৬১˙১৪ টকা
প্ৰতিটোৰ মূল্য ৩˙২১

(৪) চপেটাৰ কলম-কালি পাবুতি—৮৫ টা মূল্য ৭৬৫˙০০ টকা
প্ৰতিটোৰ মূল্য ৯˙০০

(৫) আমৰ কলম—১৯৫৪ টা মূল্য ৭৮১৬.০০
প্ৰতিটোৰ মূল্য ৪˙০০

(৬) মালাপোৱা আম—৮৬০ টা মূল্য ৬৬৫৬˙৪০ টা
প্ৰতিটোৰ মূল্য ৭˙৭৪

(৭) কাবুলা জাতৰ ডালিম—১৬৫ টা মূল্য ৫৯৪˙০০ টকা
প্ৰতিটোৰ মূল্য ৩˙৬৪

(৮) আনাৰচৰ পুখা- ৭৪,৯০০ টা মূল্য- ১৬,০২৬˙৪০
প্ৰতি ১০০ টাৰ মূল্য- ২১˙৪০

(৯) মালভোগ, জাহাজী কলৰ পুলি- ১৪,৩০০ টা মূল্য ২২,১৫১˙৫০
প্ৰতিটোৰ মূল্য ১˙৬০

(১০) লিচু কলম- ৯,২১৫ টা মূল্য ২৯,৫৮০˙১৫
প্ৰতিটোৰ মূল্য ৩˙২১

(১১) মধুৰী আমৰ কলম- ১১,২৭৪ টা মূল্য ৩০,১৫৭˙৯৫
প্ৰতিটোৰ মূল্য ২˙৬৭

(১২) জালুকৰ কাটিং- ৯,৭০০ টা মূল্য ৭,২৭৫˙০০ টকা
প্ৰতিটোৰ মূল্য ০˙৭৫

(১৩) মুচম্বি- ১,৫৮৯ টা মূল্য ৬,০০৬˙৪২
প্ৰতিটোৰ মূল্য ৩˙৭৪

(১৪) আপেল—১৭৫ টা মূল্য ৪৮১'২৫

প্ৰতিটোৰ মূল্য ২'৭০

(১৫) প্লাম—৮১ টা মূল্য ২০২'৫০

প্ৰতিটোৰ মূল্য ২'৫০

(১৬) মিঠা আলু —৭৬,৭০০ টা মূল্য ১১,৯১০'৩৫

প্ৰতি ১০০ টাত ১৬'০৫

(গ) উক্ত পুলি আৰু কলম বীজ নিগমৰ নিজৰ ৬ (ছয়) খন বাগিছাৰ পৰা যোগান ধৰা হয়। চাহিদা অনুযায়ী নিগমৰ অনুমোদিত নাৰ্চাৰীৰ পৰা ক্ৰয় কৰি যোগান ধৰা হয়।

অনুমোদিত যোগান ধৰোতাসকল :—

১। গুৱাহাটী নাৰ্চাৰী, গুৱাহাটী

২। ৰাজধানী নাৰ্চাৰী, গুৱাহাটী

৩। কিঙ্কৰ নাৰ্চাৰী, নলবাৰী

৪। State Farm Corporation of India, Kakilabari Farm.

৫। গান্ধাৰীপাৰা নাৰ্চাৰী, বৰপেটা

৬। নাগৰাজ এণ্ড নাৰ্চাৰী, বাগান, টামিলনাড়ু।

৭। জয় কিষান বীজ নিগম, গুৱাহাটী

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, মই এটা কথা জানিব বিচাৰিছো যে গান্ধাৰীপাৰা নাৰ্চাৰীৰ পৰা কলম আৰু পুলি যোগান ধৰাৰ কথা কোৱা হৈছে। এই নাৰ্চাৰীখন কিমান একৰৰ মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীগোলক ৰাজবংশী (কৃষি মন্ত্ৰী) :—সেই হিচাপটো বৰ্ত্তমান মোৰ হাতত নাই। ইয়াত কেৱল যোগানৰ কথাহে কোৱা হৈছে।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, সেইখন নাৰ্চাৰী হয় নে নহয় তদন্ত কৰি জনাব নে ?

শ্ৰীগোলক ৰাজবংশী (কৃষিমন্ত্ৰী) :— বিভাগীয় নিয়ম অনুসৰি বিভাগীয় বিষয়াৰ সন্তুষ্টি আৰু অনুমোদন সাপেক্ষেহে এইবোৰ বস্তুৰ যোগান ধৰা হয়।

শ্ৰীহেমেন দাস :—অধ্যক্ষ মহোদয়, এই নাৰ্চাৰীখন বৰপেটাতহে আছে, বৰপেটা ৰোডত নাই। গতিকে সেই নাৰ্চাৰী খনৰ বিষয়টো তদন্ত কৰি চাব লাগে।

শ্ৰীগোলক ৰাজবংশী ( কৃষিমন্ত্ৰী ) :—সেইটো তদন্ত কৰা হব।

শ্ৰীহেমেন দাস :—মিঠা আলুৰ সচঁৰ বাবদ কিমান টকা খৰচ কৰা হৈছিল ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—ইয়াৰ বাবদ ১১,৯১০.৩৫ টকা খৰচ কৰা হৈছিল।

শ্ৰীহেমেন দাস :—মিঠা আলুৰ সচঁৰ কাৰণে যে প্ৰতি ১০০ টাত দাম স্থিৰ কৰা হৈছে, সেইবোৰৰ দৈৰ্ঘ্য কিমান আছিল ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—সেই হিচাপটো পুংখানু পুংখ ভাবে ইয়াত নাই।

শ্ৰীহেমেন দাস :—কোনখন নাৰ্চাৰীৰ পৰা কিমান সচঁ লোৱা হৈছিল সেইটো মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—কোনখনৰ পৰা কিমান অনা হৈছিল সেইটো হিচাপ বৰ্ত্তমান মোৰ হাতত নাই। কিন্তু এটা কথা ঠিক যে কম বেচি পৰিমানে আটাইকেইখন নাৰ্চাৰীৰ পৰা এই পুলিবোৰ লোৱা হৈছিল।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক কোন নাৰ্চাৰীৰ পৰা অনা হৈছিল ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক কোনো নাৰ্চাৰীৰ পৰা অনা হৈছে সেইটো মই সঠিককৈ কোৱা টান হব।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে এই বস্তুবিলাক নাৰ্চাৰীৰ পৰা অনা হৈছে। সেইকাৰণেই মই স্পষ্ট ভাৱে সুধিব খুজিছো যে এই মিঠা আলুৰ সচ কোন নাৰ্চাৰীৰ পৰা যোগান ধৰা হৈছিল ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) :—অধ্যক্ষ মহোদয়, এই সচবিলাক সমূহীয়া ভাৱে হে অনা হৈছে। গতিকে মিঠা আলুৰ সচ কোন নাৰ্চাৰীৰ পৰা অনা হৈছে সেইটো কোৱাটো টান।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহোদয়, এই সচ বিলাক যোগান দিবৰ কাৰণে নিবিদা আহ্বান কৰিহে আনিবলৈ দিয়া হৈছিল, গতিকে সেইমতে কোন নাৰ্চাৰীয়ে কোনটো সচ যোগান দিবলৈ সন্মত হৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাৰ কথা নহয় জানো ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, ৬ খন ফাৰ্মৰ পৰা সমূহীয়া ভাৱে অনা হৈছিল।

শ্ৰীহেমেন দাস :—মাননীয় অধ্যক্ষ মহাশয়, কেইটা গাঠিৰে সৈতে এটা পুলি ধৰা হৈছে ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, গজালি ওলাব পৰা গাঠিৰে সৈতে আমাৰ কৃষি বিভাগৰ নিয়মমতে, একো একোটা 'ইউনিট' বুলি ধৰা হয় ।

Shri Md. Umaruddin :—May I know what is the position whether any profit was made out of the sale of the seedlings and cuttings ?

Shri Golok Rajbanshi, ( Minister, Agriculture ) :—Sir, there is no question of loss and profit. According to the requirements we simply supply.

Shri Md. Umaruddin :—My point is, are they supplied at the cost price ?

Shri Golok Rajbanshi ( Minister, Agriculture ) :—Not only these are supplied at the cost price, sometimes we also have to susbidise.

মহম্মদ বৰকতুল্লা :—মাননীয় অধ্যক্ষ মহোদয়, বেছিভাগ পুলি কোন নাৰ্চাৰীৰ পৰা অনা হৈছে জনাবনে ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, বেছিভাগ পুলিকেই ককিলাবাৰী চৰকাৰী ফাৰ্মৰ পৰা অনা হৈছিল।

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, জহাজী কল আৰু মালভোগ কলৰ পুলিৰ দাম কম হৈছে নেকি ?

শ্ৰীগোলক ৰাজবংশী ( মন্ত্ৰী ) :—মাননীয় অধ্যক্ষ মহোদয়, অপেক্ষাকৃত ভাৱে কম হৈছে ।

**বিঃ আন্তৰ্জাতিক শ্ৰম সন্মিলনলৈ অসম চৰকাৰৰ প্ৰতিনিধিত্ব কৰা বিষয়া ।**

শ্ৰীমোহন বসুমতাৰীয়ে সুধিছে :

* ৩৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আন্তৰ্জাতিক শ্ৰম বিভাগৰ ১৯৮২ চনৰ । আগষ্ট মাহত টোকিওত

বহা সন্মিলনৰ আলোচনা চক্ৰত অসমৰ পৰা দুজন জেষ্ঠ্য বিষয়াক চৰকাৰে অসম চৰকাৰৰ প্ৰতিনিধিত্ব কৰিবলৈ পঠাইছিল নেকি ?

(খ) যদি পঠাইছিল সেই জেষ্ঠ্য বিষয়া দুজনৰ নাম আৰু পদবী সহ জনাবনে ?

(গ) এইটো কথা সচাঁনে যে তেওঁলোক টোকিওত বহা সন্মিলনত যোগদান কৰিবলৈ গৈ কোনো এখন হোটেলত আছিল ?

(ঘ) এইটো কথাও সচানে যে তেওলোকে হোটেলত থকাৰ বাবদ হোৱা ভাৰা নিদিয়াকৈ গুচি আহিছিল ?

(ঙ) এইটো কথা সচাঁনে যে এই হোটেলৰ ভাৰা থিনি টোকিওত থকা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰদূতে ভাৰতবৰ্ষৰ সন্মানৰ অৰ্থে এই টকা আদায় দিব লগীয়া হৈছে ?

(চ) এইটোও সঁচানে যে টোকিওত থকা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰদূতে ভাৰতবৰ্ষৰ বিত্ত মন্ত্ৰীলৈ সেই বিষয়ে এখন চিঠি লিখিছিল ?

(ছ) এইটো কথা সচাঁনে যে কেন্দ্ৰীয় চৰকাৰৰ বিত্ত বিভাগৰ পৰা মূখ্য সচিবলৈ সেই বিষয়ে এখন চিঠি পঠাইছে ?

(জ) যদি চিঠি লিখিছিল তাত কি লিখা হৈছিল জনাবনে ?

(ঝ) এই বিষয়ে মূখ্য সচিবে কিবা ব্যৱস্থা কৰিছে নেকি আৰু যদি কৰিছে কি ব্যৱস্থা কৰিছে জনাবনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ ( শ্ৰম মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) ১। শ্ৰীচিত্তৰঞ্জন সমাদ্দাৰ, সচিব শ্ৰম আৰু নিয়োগ বিভাগ,
২। শ্ৰীসুশীল চন্দ্ৰ ভট্টাচাৰ্য্য, সচিব, ন্যাসৰক্ষক মণ্ডলীৰ কাৰ্য্যালয় ।

(গ) হয়, কথাটো সচাঁ ।

(ঘ) কথাটো আংশিক সত্য । হোটেলত ভাৰা দি নহাৰ সন্দৰ্ভত কওঁ যে শ্ৰম আৰু নিয়োগ বিভাগৰ সচিব শ্ৰীচিত্তৰঞ্জন সমাদ্দাৰে হোটেলৰ সকলো দিবলগীয়া টকা দি আহিছে, কিন্তু ন্যাসৰক্ষক মণ্ডলীৰ কাৰ্য্যালয়ৰ সচিব শ্ৰীসুশীল চন্দ্ৰ ভট্টাচাৰ্য্যয়ে পৰিবাৰ সহ টোকিওলৈ গৈছিল । তেওঁৰ নিজৰ বাবে দিবলগীয়া হোটেলৰ টকা সমুদায় দিয়া হৈছে । পৰিবাৰৰ হৈ দিবলগীয়া টকা হেটেলত জমা দিয়া হোৱা নাছিল ।

(ঙ) হয়, কথাটো সচাঁ।

(চ) হয়, কথাটো সচাঁ।

(ছ) হয়, কথাটো সচাঁ।

(জ) চিঠিৰ এখন প্ৰতিলিপি জ্ঞাতাৰ্থে সদনৰ মেজত ৰখা হল।

(ঝ) শ্ৰম বিভাগৰ পৰা এই সন্দৰ্ভত শ্ৰীভট্টাচাৰ্য্য মহোদয়লৈ বাকী টকা খিনি আদায়ৰ বাবে পত্ৰ প্ৰেৰণ কৰা হৈছে।

শ্ৰীমোহন বসুমতাৰী :—মাননীয় অধ্যক্ষ মহোদয়, এই যি দুজন বিষয়াই হোটেলত থকাৰ বাবদ হোৱা ভাৰা নিদিয়াকৈ গুচি আহিছিল, তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হল ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়া দুজন ঘূৰি আহিয়েই বাকী থকা টকা খিনি পৰিশোধ কৰিবৰ কাৰণে যোগা-যোগ কৰিছে। এই ফালৰ পৰা বিষয়া দুজনৰ দোষ থকা যেন নেলাগে।

শ্ৰীমোহন বসুমতাৰী :—মাননীয় অধ্যক্ষ মহোদয়, তালৈ যি দুজন অফিচাৰ গৈছিল তাৰে এজনে পৰিয়ালৰ বাবদ দিবলগীয়া টকা দিব নোৱাৰা কাৰণে ভাৰতবৰ্ষৰ সন্মানৰ কাৰণে টোকিওস্থ ভাৰতীয় ৰাষ্ট্ৰদূতে সেই টকা খিনি পৰিশোধ কৰে। এই কথাটো সচানে আৰু বিষয়া বিজনৰ এনে ব্যৱহাৰৰ কাৰণে তাৰ মানুহে ভাৰতৰ ৰাষ্ট্ৰদূতৰ ওচৰত অভিযোগ কৰে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, বাকী সকলো-খিনি টকা পৰিশোধ কৰা হয়। কিন্তু তালৈ যি সকল বিষয়া যায় সেই সকলে শতকৰা ১০ ভাগ ডিস্কাউন্ট পায়। ডিস্কাউন্টৰ হিচাবটো কৰা হোৱা নাছিল কাৰণে টকা খিনি বাকী হৈ আছিল। এই বাকী থকা টকা খিনিকে তেওলোক ইয়ালৈ অহাৰ পিছত পঠোৱা হৈছিল।

শ্ৰীমোহন বসুমতাৰী :—মাননীয় অধ্যক্ষ মহোদয়, তেওলোকে যে পৰিয়াল লৈ গৈছিল, তাৰ কাৰণে অসম চৰকাৰৰ অনুমতি লোৱা হৈছিলনে নাই আৰু অনুমতি লব লাগেনে নেলাগে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহেদয়, পৰিয়াল নিব পাৰে, অনুমতি লোৱা নাছিল।

শ্ৰীমোহন বসুমতাৰী :—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়া দুজনে যিখিনি কৰিলে সেইখিনিৰ দ্বাৰা আমাৰ দেশৰ সন্মান হানি হৈছে। এইটো

দোষণীয় হৈছেনে নাই সেইটো মাননীয় শ্ৰমবিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এইটো দোষণীয় নহয় বুলি এই কাৰণেই কব পাৰি যে, বাকী থকা শতকৰা ১০ ভাগ ডিস্কাউন্টৰ টকাটো পৰিশোধ কৰিবৰ কাৰণে বিষয়া দুজন আহিয়েই তাৰৈ লিখিছিল আৰু সেইমতে লগে লগেই টকাটো পৰিশোধো কৰিছিল ।

শ্ৰীবলোৰাম নাগ :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এইখন কেনে শ্ৰম সন্মিলন আছিল ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—এইখন ইচাহে ।

শ্ৰীবলোৰাম নাগ :—এই শ্ৰম সন্মিলনত শ্ৰীসুৰেশ ভট্টাচাৰ্য্যই অসম চৰকাৰৰ বিষয়া হিচাৱে যোগদান কৰিছিলনে ? নে ন্যাসৰক্ষী বৰ্ডৰ মেম্বাৰ হিচাপে যোগদান কৰিছিল ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—ন্যাসৰক্ষী বৰ্ডৰ সদস্য হিচাবে যোগদান কৰিছে ।

শ্ৰীবলোৰাম নাগ :—অধ্যক্ষ মহোদয়, তেতিয়া হলে অসম চৰকাৰৰ বিষয়া হিচাবে যোগদান কৰাতো সত্য নহয় । কিন্তু ন্যাসৰক্ষী বৰ্ড সম্পূৰ্ণ ৰূপে অসম চৰকাৰৰ নহয় ।

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—আমাৰ এজন সচিব গৈছে, তেখেঁত চৰকাৰৰ প্ৰতিনিধি আমাৰ যি বৰ্ড আছে সেই বৰ্ডো চৰকাৰৰ অনুমোদিত গতিকে অসমৰে প্ৰতিনিধি হয় ।

শ্ৰীমোহন বসুমতাৰী :—হোটেলত ভাড়া নিদি গুচি অহাৰ কথা ৰাষ্ট্ৰদূতক জনাইছিল নে হোটেলৰ মালিকক জনাইছিল ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—অফিচাৰজন ভাড়া নিদিয়াকৈ অহা নাই । মাত্ৰ দিফাৰেন্স শতকৰা ১০ ৰ কথা নজনাৰ বাবেই এনে হৈছে । প্ৰতিনিধি হিচাবে শতকৰা ১০ টকা ৰেহাই পাব লাগে কিন্তু তেখেঁতৰ পৰিবাৰেহে এইটো নাপাব ।

শ্ৰীমোহন বসুমতাৰী :—অধ্যক্ষ মহোদয়, আন্তৰ্জাতিক সন্মিলনত যোগদান কৰিবলৈ গৈছিল আৰু আমাৰ ইয়াৰ পৰা যোৱা প্ৰতিনিধি সকল থকাৰ

বাবে তাত বিশেষ ব্যৱস্থা কৰা নাছিলনেকি যে আমাৰ প্ৰতিনিধি সকল হোটেলত থাকিব লগা হৈছিল ?

শ্ৰীৰামেশ্বৰ ধনোৱাৰ (মন্ত্ৰী) :—আছিল। দুজনৰ ব্যৱস্থা আছিল। কিন্তু পৰিবাৰক লৈ যোৱাৰ কাৰণে অতিৰিক্ত বিচনাৰ দৰকাৰ হল ফলত হোটেলৰ দৰকাৰ হল।

শ্ৰীবৰ্গৰাম দেউৰী :—ভাৰতৰ পৰা টোকিওলৈ আন্তৰ্জাতিক সন্মিলনত যোগদান কৰিবলৈ পৰিবাৰ যোৱাৰ কথা চৰকাৰে জানেনে ?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ (মন্ত্ৰী) :—পৰিবাৰ নিজৰ খৰচত যোৱাৰ কোনো বাধা নাই।

শ্ৰীবৰ্গৰাম দেউৰী :—পৰিবাৰ যোৱাৰ কথাটো চৰকাৰে স্পষ্টকৈ জানেনে ?

মাননীয় অধ্যক্ষ :—এইটো কোৱা হৈ গৈছে। আৰু আলোচনাৰ দৰকাৰ নাই।

**বিঃ চাকৰিয়ালৰ অৱসৰ গ্ৰহনৰ বয়স।**

শ্ৰীবৰ্গৰাম দেউৰীয়ে সুধিছে :

* ৩৯। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰে চাকৰিয়ালৰ বয়স কিমান বছৰলৈকে নিৰ্দ্ধাৰন কৰিছে ?

খ) অসম সচিবালয়ৰ কৰ্ম্মচাৰী বিভাগৰ ( Personnel Deptt. ) উপ-সচিব এগৰাকীয়ে চৰকাৰে নিৰ্দ্ধাৰণ কৰা বয়স সীমা অতিক্ৰম কৰাৰ পিচতো সেই পদত চাকৰি কৰি থকা কথাটো সচানেকি ?

গ) যদি সচা হয় উপ-সচিব গৰাকীৰ জন্ম তাৰিখ অসম চৰকাৰে প্ৰকাশ কৰা চৰকাৰী চিভিল লিষ্ট ১৯৭১ ৰ (১৯৭৭ চনত প্ৰকাশিত) মতে যদি ১৯২৫ চনৰ ১ জুলাই হয় তেন্তে ৫৮ বছৰৰ পিচতো কি ভিত্তিত এই গৰাকী বিষয়াই চাকৰী কৰি আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম চৰকাৰৰ চৰকাৰী চাকৰীয়ালৰ নিৰ্দ্ধাৰিত অৱসৰ গ্ৰহনৰ বয়স ৫৮ বছৰ।

খ) নহয়।

গ) কোনো উপ-সচিবক ৫৮ বছৰৰ পিছতো কাম কৰিবলৈ দিয়া হোৱা নাই।

শ্ৰীবৰ্গৰাম দেউৰী :—অধ্যক্ষ মহোদয়, আমাৰ অসম চৰকাৰৰ অৱসৰৰ যিখন

কাগজ আছে তাত আমাৰ শ্ৰীমাখন লাল চক্ৰবৰ্ত্তীৰ জন্ম ১৯২৫ চনৰ ১ জুলাই তাৰিখে আৰু চাকৰিত সোমাইছে ১৯৪৫ চনৰ পহিলা এপ্ৰিলত। এইখন লিষ্ট প্ৰিপেয়াৰ কৰিছে ১৯৭১ চনত আৰু পাবলিচ কৰিছে ১৯৭৭ গতিকে তেখেঁতৰ অৱসৰ ১ জুলাই ১৯৮৩ চনত হব লাগে ? আমি জনাত তেখেঁত এতিয়াও চাকৰিত আছে এইটো কেনেকৈ হবলৈ পালে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এইখন চেমি প্ৰিণ্ট হব পাৰে। এইখন ১৯৭১ চনৰে আৰু ইয়াত বি, কে নেহৰুৰ নাম লিখা আছে। কিন্তু এইখন ১৯৭৪ চনত সংশোধন কৰি দিয়া হল আৰু ১৯৮৩ চনৰ ১ নম্বৰত লৈকে কাম কৰি থাকিব পাৰিব।

শ্ৰীবৰ্গৰাম দেউৰী :—অধ্যক্ষ মহোদয়, ১৯৭৪ চনতে সংশোধন কৰি ১৯৭৭ চনত কেনেকৈ প্ৰিণ্ট কৰা হল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—এইখন পুৰণা কিতাপ।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ৫৫ বছৰ হোৱাৰ লগে লগেই চৰকাৰী চাকৰিয়ালৰ অৱসৰৰ কথাটো সচা নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—এইটো সচা নহয়।

## বিঃ অৱসৰ প্ৰাপ্ত প্ৰাইমেৰী শিক্ষকৰ গ্ৰেটুইটি।

শ্ৰীমথুৰা ডেকাই সুধিছে :

* ৪০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যি সকল প্ৰাইমেৰী শিক্ষকক ৫৮ বছৰ বয়সত চাকৰিৰ পৰা অব্যাহতি দিয়া হল সেই শিক্ষক সকলক কোনো গ্ৰেটুইটি দিয়াৰ কথা ভাবিছে নে ?

খ) প্ৰাইমেৰী শিক্ষক সকলক চাকৰী চৰকাৰী কৰণ কৰাৰ সময়ৰ পৰা পেঞ্চন দিয়াৰ কথাও চৰকাৰে ভাবিছেনে ?

গ) প্ৰাইমেৰী শিক্ষকক ৭৫ টকাকৈ মাহিলী যি সাহায্য দিয়াৰ কথা ২/১১/৭৭ তাৰিখত ঘোষণা কৰিছিল সেই হিচাপে সাহায্য টকা দিয়া হৈছেনে ?

শ্ৰীমুকুট শৰ্ম্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আইনৰ বিধান মতে অৱসৰ প্ৰাপ্ত শিক্ষক সকলে গ্ৰেটুইটি পাব।

খ) চৰকাৰীকৰণ আইনৰ বিধি অনুসৰি প্ৰথমিক শিক্ষক সকলে পেঞ্চন পাব।

গ) চৰকাৰীকৰণ কৰাৰ সময়ত অৱসৰ পোৱা প্ৰাইমাৰী শিক্ষক সকলক মাহিলি ৫০ টকাকৈ ক্ষতিপূৰণ হিচাপে সাহায্য দিয়া হৈছে। তেনে শিক্ষকক ২৫ টকা অতিৰিক্ত সাহায্য দিয়াৰ কথা চৰকাৰৰ বিবেচনাধিন হৈ আছে।

শ্ৰীমথুৰা ডেকা :—আমাৰ চৰকাৰৰ ফালৰ ২/১১/৭৭ তাৰিখে এখন সভা হৈছিল তাত আমাৰ শিক্ষামন্ত্ৰী মহোদয় আৰু মুখ্যমন্ত্ৰী মহোদয় উপস্থিত আছিল। কিন্তু তাত ৭৫ টকা নিদি কেনেকৈ ৫০ টকা দিয়া হল ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, ৭৫ টকা কৰি দিয়াৰ সিদ্ধান্ত কৰা হৈছিল, কিন্তু চৰকাৰী ধনৰ নাটনিৰ হেতুকে সেই সময়ত ৫০ টকা কৰি দিয়া হৈছিল আৰু এতিয়া [illegible] বাকী ২৫ টকা কৰি দিয়াৰ চেষ্টা কৰিম।

**বিঃ এজনীয়া শিক্ষকৰ প্ৰাইমাৰী স্কুলৰ সংখ্যা।**

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে :

*৪১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) প্ৰতিষ্ঠাপক একক শিক্ষক লৈ চৰকাৰী কৰণ কৰা প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা বৰ্ত্তমান কিমান ?

খ) এই শিক্ষানুস্থান সমূহত সহ শিক্ষক নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা কৰিছেনেকি ?

গ) যদি কৰিছে কেতিয়াৰ পৰা নিযুক্তি দিয়া হব জনাবনে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) ৭৭৮৭ খন।

(খ) (গ) বৰ্ত্তমান বিত্তীয় বছৰত এজনীয়া শিক্ষকৰ ১৩০০ খন প্ৰাথমিক বিদ্যালয় দুজনীয়া শিক্ষকৰ বিদ্যালয়লৈ পৰিবৰ্ত্তন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

শ্ৰীবলোৰাম নাগ :—অধ্যক্ষ মহোদয়, মই আমাৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, প্ৰাইমেৰী স্কুল বিলাক চৰকাৰী কৰণৰ কথা কৈছে কিন্তু অমাৰ চাহ বাগানৰ স্কুল বিলাক চৰকাৰী কৰণ কৰিবনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :—যদিও ৭৭৮৭ খন স্কুলৰ কথা কোৱা হৈছে আমি ১৩০০ খন স্কুল লৈছো তাৰ ভিতৰতে চাহ বাগানৰ স্কুল লোৱাৰ কথাও চিন্তা কৰা হৈছে।

শ্ৰীমৃদুলা চহৰীয়া :—বিত্তীয় বছৰৰ কোন মাহৰ পৰা ইয়াৰ এফেক্ট দিয়া হব ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা মন্ত্ৰী) :—এই বছৰৰ পৰাই লোৱা হব ।

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে ৰাজ্যত যিবোৰ বড়ো মাধ্যমৰ প্ৰাইমাৰী শিক্ষানুষ্ঠান আছে, যিবিলাক আজিলৈকে মঞ্জুৰী হোৱা নাই সেইবিলাকৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই ১৩ শ স্কুলৰ ভিতৰত বড়ো মাধ্যমৰ স্কুলো সোমাইছে ।

শ্ৰীচিৰাজুদ্দিন আহমেদ :—অধ্যক্ষ মহোদয়, এইটো সচানে যে ১-২-৮২ তাৰিখে যিবিলাক প্ৰাইমাৰী স্কুল লোৱা হৈছে তাৰ শিক্ষক বিলাকৰ আজিলৈকে নিযুক্তি হোৱা নাই ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এই বিষয়ে বেলেগে প্ৰশ্ন দিলে ভাল হয় ।

Starred questions Nos 42 & 43 were not put members being absent.

## বিঃ সমবায় বিভাগৰ বিভাগীয় ঘৰ মাটি ।

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৪৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) সমবায় বিভাগৰ নিজা ঘৰ মাটি কোন কোন ঠাইত কিমান আছে জনাবনে ?

খ) ৰাজ্যিক কাৰ্য্যালয়ৰ পৰা জিলা কাৰ্য্যালয়লৈ মুঠ ঘৰ ভাড়াৰ বাবদ বছৰেকত কিমান টকা দিব লগা হয় জনাবনে ?

গ) উক্ত বিভাগে নিজাকৈ ঘৰ বন্ধাৰ ব্যৱস্থা কৰিছে নেকি ?

ঘ) যদি ভাবিছে কত কত ?

শ্ৰীতিলক গগৈ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) সমবায় বিভাগৰ নিম্ন লিখিত কাৰ্য্যালয় সমূহ বিভাগীয় নিজা ঘৰ মাটিত আছে :—

উপ-পঞ্জীয়কৰ কাৰ্য্যালয়, যোৰহাট । সহকাৰী পঞ্জীয়কৰ কাৰ্য্যালয়, ১) ধুবুৰী, ২) গোৱালপাৰা, ৩) বৰপেটা, ৪) তেজপুৰ, ৫) মঙ্গলদৈ, ৬) নগাওঁ ( পশ্চিম ), ৭) গোলাঘাট ।

খ) ঘৰভাড়া বাবদ মুঠ টকা ২,৭৭,৬০৫·৩৬ পইচা প্ৰতি বছৰে দিব লগা হয়।

গ) ঘ) মাটি আৰু পুঁজিৰ অভাৱত বিভাগীয় ঘৰ বন্ধাৰ ব্যৱস্থা হাতত লব পৰা নাই

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, মই সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে সমবায় বিভাগৰ প্ৰধান কাৰ্য্যালয়ৰ বাবে মাটি কেতিয়া লোৱা হব আৰু ঘৰ কেতিয়া হব। মই তেখেতক অনুৰোধ কৰিব বিচাৰিছো যে মন্ত্ৰী মহোদয়ৰ দিনতে এই কাৰ্যালয়টো হলে তেখেতৰে নাম হব।

শ্ৰীতিলক গগৈ (সমবায় মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এইটো কথা সচাঁ যে সমবায় বিভাগৰ কাৰ্য্যালয়টো এটা দৰকাৰী বিষয়। অন্য বিভাগৰ দৰে সমবায় বিভাগ বা নিজা কাৰ্য্যালয় এতিয়ালৈকে হোৱা নাই। এতিয়া ব্যৱস্থা লোৱা হৈছে। গুৱাহাটীত সমবায় পঞ্জীয়কৰ কাৰ্য্যালয়ৰ বাবে দুই বিঘা মাটি চৰকাৰে দিছে। তাৰোপৰি ডিব্ৰুগড়ৰৰ উপ-পঞ্জীয়ক আৰু সহকাৰী পঞ্জীয়কৰ কাৰ্য্যালয়ৰ বাবে মাটি দিয়াৰ কাৰণে চৰকাৰে বিবেচনা কৰি আছে।

মৌলানা আব্দুল জলিল চৌধুৰী :—অধ্যক্ষ মহোদয়, মাননীয় সমবায় বিভাগের মন্ত্ৰী মহোদয় জানেন কি যে বৰ্ত্তমানে সমবায় বিভাগ থেকে যে সব জিনিষ দেওয়া হচ্ছে তা সংখ্যা অনুপাতে গ্ৰাম পঞ্চায়তের অৰ্ধেকেরও বেশী নয়। সুতৰাং এই সংখ্যায় সরবরাহ করা প্ৰয়োজন না ঘর তৈরী করা প্ৰয়োজন।

শ্ৰীতিলক চন্দ্ৰ গগৈ (মন্ত্ৰী) :—দুয়োটাই প্ৰয়োজনীয়।

## বি : নতুন মহকুমাৰ সীমা নিৰ্দ্ধাৰণ।

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে :

* ৪৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

অলপতে অসমৰ ঘোষিত নতুন মহকুমা সমূহৰ সীমা নিৰ্দ্ধাৰণৰ ভিত্তি কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

অসমৰ অলপতে গঠন কৰা মহকুমা সমূহৰ সীমা মূলতঃ শ্ৰীডি আৰ কহলি আৰু দুজন সদস্যলৈ গঠন কৰা কমিটিৰ প্ৰতিবেদন, প্ৰশাসনীয়

সুবিধা আৰু ৰাজহুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্দ্ধাৰণ কৰা হৈছে।

শ্ৰীমতী মৃদুলা চহৰীয়া :—অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কেনেকুৱা তথ্য-পাতিৰ ভিত্তিত জিলা আৰু মহকুমাবোৰ গঠন কৰা হৈছে? এই ক্ষেত্ৰত মই দুখন ৰাজপত্ৰৰ জাননী উল্লেখ কৰিব বিচাৰিছো। যোৱা ৫ আগষ্টৰ জাননী নং : জিএজি ২৫৭/৮২/৩৬ মতে ওডালগুৰি, মাজবাট আৰু দলগাওঁৰ থানা এলেকা লৈ নতুন কৈ ওডালগুৰি মহকুমা গঠন কৰা হয় আৰু ১৩ আগষ্টৰ জাননী নং : জিএজি ২৫৭/৮২/৩৭ মতে চিনাকোনা, মাজিকুচি, চেখৰ মৌজা, ডাকুৱা, চিলাপোটা, হৰিচিংগা, আমবাগান, ওডালগুৰি, বৰচিলাঝাৰ আৰু ওৰাং মৌজাক লৈ পুনৰ ওডালগুৰি মহকুমা গঠনৰ জাননী দিয়া হয়। এই জাননী দিয়াৰ ক্ষেত্ৰত কোনো প্ৰভাৱশালী ব্যাক্তিৰ হাত থকা কথা চৰকাৰে জানেনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এইটো সচাঁ নহয়। কিন্তু এইটো সচাঁ যে প্ৰথমে উল্লেখ কৰা অনুযায়ী ওডালগুৰি মাজবাট আৰু দলগাওঁ মৌজাক লৈ ওডালগুৰি মহকুমা ঘোষণা কৰা হৈছিল। ইতিমধ্যে ৰাইজৰ পৰা আপত্তি অহাত আৰু কোহলি কমিচনৰ অনুমোদন মতে—কলাইগাঁওঁ চিনাকোনা, মাজিকুচি, চেখৰ, ডাকুৱা, চিলপোটা, হৰিচিংগা, আমবাগান, ওডালগুৰি, বৰচিলাঝাৰ, ওৰাং ১১ টা মৌজাৰে ওডালগুৰি মৌজা গঠন কৰাৰ কথা আছিল। কিন্তু তাৰ পৰা কলাইগাওঁ মৌজাটো ডিচিৰ অনুমোদন নোপোৱাত আমি বদি ওডালগুৰি মৌজা গঠন কৰা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান :—দুখন জাননীৰ ভিতৰত কোনখন কহলি কমিচনৰ অনুমোদন মৰ্মে হৈছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :—পিচৰ জাননী মৰ্মে হৈছে।

Shri Benoy Kumar Basumatari :—Sir, according to the Kohli Commission's Report Kalaigaon mauza should be included in the Udalguri subdivision. According to the Chief Minister's answer one D.C. had recommended exclusion of this mauza—now, Sir, if a D.C. can undo what a Commission had recommended, then is the D.C. the Govt. ?

Shri Hiteswar Saikia, ( Chief Minister ) :—Sir, Govt. is not the D.C. D.C. only suggested—not only the D.C. but also public representations were taken into consideration.

Shri Benoy kumar Basumatari :—With reference to Govt. notifiation dated 5th August, the public of those areas were very much incensed and whether it is a fact that the tribal people had to launch an agitation and Army was conducting flag marches at Tangla and Udalguri between 11th and 30th ?

Shri Hiteswar Saikia, ( Chief Minister ) :—Sir, it is a fact that Kohli Commission's report was considered by Govt. of Assam. Moreover there were some other representations from some other quarters and based on all these we decided.

Shri Benoy kumar Basumatari :—Will the Chief Minister Consider inclusion of Kalaigaon mauza as has already been decided by the Kohli Commission.

Shri Hiteswar Saikia, ( Chief minister ) :—As I have said Govt. has already decided. However, we will look into it.

শ্ৰীমথুৰা ডেকা :—অধ্যক্ষ মহোদয়, ৰঙিয়া মহকুমা গঠন কৰাৰ সময়ত কহলি কমিচনে ৰঙিয়ালৈ গৈছিল নে গুৱাহাটীত বহি বহিয়ে ৰিপৰ্ট দিছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) :—এইটো বেলেগ প্ৰশ্ন হয় । কহলি কমিচনৰ ৰিপৰ্ট অনুযায়ীয়েই ৰঙিয়া মহকুমা গঠন কৰা হৈছে ।

শ্ৰীচিৰাজউদ্দিন আহমেদ :—নতুনকৈ জিলা আৰু মহকুমা আদি গঠন কৰোতে ইয়াৰ সীমাও চূড়ান্ত কৰা হ'ল নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ( :—জিলাবোৰ মোটামোটি হৈছে । কাৰণ মহকুমা হিচাবেই জিলা গঠন কৰা হৈছে। দুই এটা মহকুমাৰ ক্ষেত্ৰত পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীবৰকত উল্লা ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। যে ৰাজহুৱা আপত্তি থকা স্বত্বেও আৰু কহলী কমিচনত নথকা স্বত্বেও সকলোৰে অসন্তুষ্টি কৰি হাজো সমষ্টিতো ৰঙিয়া মহকুমাত জাপি দিয়া হৈছে এইটো সচানে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্যমন্ত্ৰী ) ঃ—এইটো সচাঁ নহয় ।

## বি ঃ অসম বীজ নিগমৰ দ্বাৰা বীজ ক্ৰয় ।

শ্ৰীহেমেন দাসে সুধিছে ঃ

* ৪৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮২-৮৩ চনত অসম বীজ নিগমে কি কি শস্যৰ বীজ ক্ৰয় কৰিছে ?

( প্ৰতিবিধৰ পৰিমাণ আৰু মুল্য দিব )

খ) উক্ত বীজবোৰ কাৰ পৰা ক্ৰয় কৰা হৈছে আৰু কাৰ জৰিয়তে বিক্ৰী কৰা হৈছে জনাবনে ?

শ্ৰীগোলোক ৰাজবংশী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ১৯৮২-৮৩ চনত তলত দিয়া বিভিন্ন শস্যৰ বীজ ক্ৰয় কৰা হৈছিল—

১। গম—২৩৯৪২·২৯ কুইন্টল, প্ৰতি কুঃ মূল্য—৩৪৯·০০টকা মুঠ—৮৩·৫৬ লাখ টঃ

২। মটৰ মাহ-৪০১৬·৭৯ ,, ,, ,, —৫৮৫·০০ ,, ,, ২৩·৫০ ,, ,,

৩। মচুৰ মাহ- ৭১৬·৭৯ ,, ,, ,, —৫৭৫·০০ ,, ,, ৪·১২ ,, ,,

৪। বুট মাহ- ৪১৯·১০ ,, ,, ,, —৫৪৬·০০ ,, ,, ২·৬৯ ,, ,,

৫। মগুমাহ- ৪১০·৫০ ,, ,, ,, —৬৫০·০০ ,, ,, ২·৬৭ ,, ,,

৬। মাটিমাহ- ৩৪৭·৫৬ ,, ,, ,, —৪৭৫·০০ ,, ,, ১·৬৫ ,, ,,

৭। সৰিয়হ- ৩২১৬·৫০ ,, ,, ,, —৫২২·০০ ,, ,, ১৬·৭৯ ,, ,,

৮। মাকৈ- ৯৯·৬৬ ,, ,, ,, —৫৫০·০০ ,, ,, ০·৫৫ ,, ,,

৯। মৰাপাট- ৩০০·০০ ,, ,, ,, —৮৫০·০০ ,, ,, ২·৬৩ ,, ,,
৯০০·০০

১০। ধান- ১৭,০৭৮·০০ ,, ,, ,, —২৪০·০০ ,, ,, ৪৭·৮২ ,, ,,
৩০৫·০০

১১। ৰহৰ- ৪৭·২০ ,, ,, ,, —৭৩৩·০০ ,, ,, ০·৩৪ ,, ,,

মুঠ—১৮৬·৩২লাখ টকা

খ) উক্ত বীজবোৰ তলত দিয়া অনুষ্ঠান সমূহৰ পৰা ক্ৰয় কৰা হৈছিল-

১। ৰাষ্ট্ৰীয় বীজ নিগম ( National seeds Corpn. Ltd. Govt. of India undertaking ( NSC ).

২। তৰাই উন্নয়ন নিগম ( U. P. Seeds & Tarai Dev. Corpn. U. P. Govt. undertaking ) ( T.D.C. )

৩। ভাৰতীয় কৃষিপাম নিগম ( State Farms Corpn. of India, Govt. of India undertaking ).

৪। অসম পেষ্টি চাইড আৰু এগ্ৰো কেমিকেল ( Assam Pesticidus & Agro Chemicals-Distributors of T. D. C. )

৫। স্থানীয় খেতিয়ক/সমবায়/ব্যক্তিগত বিক্ৰেয়তা ( Local Growers/ Cooperatives/Private Party )

৬। অসম বীজ নিগমৰ নিজৰ শাখা প্ৰশাখা সমূহৰ উপৰিও অনুমোদিত বিক্ৰেতা সকলৰ জৰিয়তে বিক্ৰী কৰা হয়।

শ্ৰীহেমেন দাস :—এই ফাৰ্মবোৰৰ উপৰিও কোন কোন ব্যক্তিগত ব্যৱসায়ীৰ পৰা বীজ কিনি লৈছিল মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীগোলোক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—ডিটেইলচ্ নাই। বেচি ভাগ আমাৰ বীজ নিগমৰ পৰা কৰপোৰেচনৰ পৰা কিনা হৈছে। কেতিয়াবা স্পেচিয়েল প্ৰগ্ৰামৰ কাৰণেহে আমাৰ কৰপোৰেচনৰ বীজ নথকা অৱস্থাত ব্যক্তিগত ব্যৱসায়ীৰ পৰা অনা হৈছে।

শ্ৰীহেমেন দাস :—এইবোৰ নিকৃষ্ট ধৰণৰ মৰাপাটৰ বীজ যোগান ধৰাৰ কাৰণে সৰভাগ অঞ্চলত মৰাপাটৰ খেতি ধ্বংস হোৱা কথাটো মন্ত্ৰী মহোদয়ে জানে নে যদি জানে সেই বীজ কাৰ পৰা কেনেকৈ সংগ্ৰহ কৰা হৈছিল সেইটো জনাবনে ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—আমাৰ গোটেই অসমতে বিভিন্ন ধৰণৰ প্ৰায় ১৫০ মান এজেণ্ট আছে তেওঁলোক এন-ই-চি, টি-ডি-চি আৰু আমাৰ এজেণ্ট। বীজ যিমান দৰকাৰ হয় সেইটো আমাৰ সেই এজেণ্টৰ দ্বাৰা যোগান ধৰা হয়। কৃষি বিভাগৰ মানুহ আছে এই বীজ বিলাক চাবলৈ। আমাৰ ৰিকগনাইজ এজেণ্টৰ ভিতৰতে কিছুমানে বাহিৰৰ পৰা বীজ অনা কথাটো সঁচা আৰু সেই হিচাবে ব্যৱস্থা লোৱা হৈছে।

শ্ৰীবৰকত উল্লা :—১৯৮২-৮৩ চনত বীজ যোগানৰ বাবে কিনা হৈছিল নেকি

আৰু এই বীজ যদি কিনা হৈছিল কাৰ দ্বাৰা কৰিওৱা হৈছিল মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—ব্যক্তিগত লোকৰ পৰাও কিনা হৈছিল আমাৰ এন-ই-চি বা টি-ভি-চি আদি যিবিলাক সংস্থা আছে সেই বিলাকৰ পৰা বীজ কিনিবলৈ হলে ষাঠি মাহৰ আগত জনাব লাগে। বাউণ্ডেশ্বন বীজ কিনিব লাগিলে ৩৬ মাহৰ আগতে জনাব লাগে আৰু কোনো কোনো বিধৰ ক্ষেত্ৰত ১৮ মাহৰ আগতে ডিমাণ্ড দিব লাগে। প্ৰয়োজন আগতে নাজানিলে সেই মতে ডিমাণ্ড দিব পৰা নহয়। আমাৰ প্ৰধান মন্ত্ৰীৰ বিশেষ কাৰ্য্যসূচীৰ বাবে বীজৰ প্ৰয়োজন হৈছিল আৰু ততাতৈয়াকৈ এ:জণ্টৰ পৰা নাপাই লোকেলি কিনিবলগীয়া হয়। যোৱা-বাৰ ৰিলিফৰ কাৰণেও লোকেলি ব্যৱস্থা কৰা হৈছে আৰু এই বীজ এজেণ্ট সকলেই যথাস্থানত যোগান দিয়ে।

শ্ৰীহেমেন দাস :—বিক্ৰীকেন্দ্ৰ বিলাকত চীড কৰপোৰেশ্বনৰ বাহিৰেও অন্য বীজ আছে নেকি ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—আছিল সেইটো এতিয়া বন্ধ কৰা হৈছে।

শ্ৰীহেমেন দাস :—এতিয়া আছে নেকি ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—আমাৰ বীজৰ যি সকলে ব্যৱসায় কৰে তেওঁলোকে যাতে অন্য বীজ ৰাখি ব্যৱসায় নকৰে সেইটো কৰা হৈছে।

শ্ৰীহেমেন দাস :—পুৰণা বীজ বিলাক ধ্বংস কৰা হৈছে নে নাই ?

শ্ৰীগোলক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—তেওলোকৰ ব্যক্তিগত সম্পত্তি ধ্বংস কৰাটো উচিত নহব।

শ্ৰীহেমেন দাস :—বীজ নিগমৰ বীজ পুৰণা হলে কি কৰে ?

শ্ৰীগোলোক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—পুৰণা হোৱা নাই।

শ্ৰীবৰ্গৰাম দেউৰী :—বীজ নিগমৰ বীজ বিলাকৰ মূল্য কোনে নিৰ্দ্ধাৰণ কৰে।

শ্ৰীগোলোক ৰাজবংশী ( কৃষি মন্ত্ৰী ) :—চিড কৰপোৰেশ্বনে কৰে। আমি যিবিলাক লোকেলি সংগ্ৰহ কৰো সেইবিলাকৰ আমি কৰো।

শ্ৰীবৰ্গৰাম দেউৰী :—যি বিলাক বীজ সংগ্ৰহ কৰা হয় সেই বিলাক কোনোবাই চাৰটিফাই কৰে নেকি আৰু উপযুক্ত হয় নে নহয় চায় নেকি ? তেনেকুৱা পৰীক্ষা কৰাৰ ব্যৱস্থা আছে নে ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—পৰীক্ষা কৰাৰ পিচত বিক্ৰীৰ কাৰণে দিয়া হয়। বাহিৰৰ বীজ আনি বিক্ৰী কৰিব নোৱাৰে। আমাৰ বীজ পঠিয়াই দিওঁ।

শ্ৰীজগত পাটগিৰী :—বীজ কিনাৰ বাবদ টি-এচ-পিৰ টকা খৰচ কৰা হয় নেকি আৰু সেই মতে বীজ আদি টি-এচ-পি বিষয়ালৈ পঠিয়াই নেকি ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—হয় দিয়া হয়।

শ্ৰীমৌলানা অব্দুল জলিল চৌধূৰী :—অধ্যক্ষ মহোদয়, মাননীয় কৃষি মন্ত্ৰী মহোদয় জানেন কি যে সার্টিফায়েড্ বীজের শতকা ৫০ ভাগ কাজে লাগে না বলে কৃষকরা মনে করে ? জনলে সরকার কি ব্যৱস্থা নিচ্ছেন ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—পৰীক্ষা কৰি চাৰটিফাই কৰি তাৰ পিচত পঠিওৱা হয়। বাকী বিলাকৰ আমাৰ ফালৰ পৰা দায়িত্ব লব নোৱাৰো।

শ্ৰীমৌলানা অব্দুল জলিল চৌধূৰী :—বুজিব নোৱাৰিলো।

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—আমাৰ হিচাব মতে চাৰটিফাইড চীড গজিব। কৰপোৰেশ্বনৰ পৰা অনা বীজ চাৰটিফাই কৰি পঠিওৱা হয় সিবিলাকৰহে আমাৰ দায়িত্ব। চাৰটিফাই নকৰা বীজ অথবা যি ভাৱে ৰোপন কৰিব লাগে সেই ভাবে নকৰিলে নগজিলে আমি দায়িত্ব লব নোৱাৰো।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী :—কি ভাৱে কৰিব লাগে ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) গৱেষণাকাৰী সকলৰ মতে বীজ পদ্ধতিগত ভাৱে ৰোপন কৰিব লাগে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী :—কৃষিকাৰ্য্য কৰা সকলক শিক্ষা দিয়াৰ কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—আমাৰ ভি-ডব্লিউ-পি আছে।

শ্ৰীমথুৰা মোহন ডেকা :—এই ধৰণে যোগান ধৰা বীজ বহুত ঠাইত নগজা কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—তেনেকুৱা কোনো আপত্তি পোৱা নাই।

শ্ৰীমথুৰা মোহন ডেকা :—বিনামূলীয়াকৈ বিতৰণ কৰিবলৈ কৃষি বিভাগৰ পৰা বীজ দিছিল নেকি ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—সকলো বীজ বিনামূলীয়াকৈ বিতৰণ কৰা নহয়।

শ্ৰীমথুৰা মোহন ডেকা :—তেনে বীজ গজা নাই বুলি ৰিলিফ হিচাবে দিয়া বিলাক গজা নাই বুলি খবৰ পাইছে নেকি জানিব বিচাৰিছো।

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—গজা নাই বুলি আমাৰ ৰিপোৰ্ট নাই।

শ্ৰীমথুৰা মোহন ডেকা :—গোৰেশ্বৰ অঞ্চলত দিয়া বীজ গজা নাই।

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—মঙ্গলদৈতো গজা নাছিল। এচ-ডি-অ'ৰ জৰিয়তে দিয়া হৈছিল পিচত খবৰ কৰি জনা গ'ল যি ধৰণে চহ কৰি গজাব লাগে সেই ধৰণে কৰা হোৱা নাছিল।

শ্ৰীমথুৰা মোহন ডেকা :—গোৰেশ্বৰত কিয় নগজিল ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—ততাতৈয়াকৈ পেলাই দখল লবলৈ যোৱা কাৰণে নগজিল।

শ্ৰীমথুৰা মোহন ডেকা :—গোৰেশ্বৰতো ট্ৰেক্টৰাইজ কৰা হৈছিল নেকি, যদি কৰিছিল কোনে কৰিছিল ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীমোহন বসুমতাৰী :—গোৰেশ্বৰত লোকেল বীজ দিয়া হৈছিল নেকি ? আৰু গজাৰ ব্যবস্থা কৰিছিল নে নাই ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—লোকেল বীজ বেয়া বুলি কোৱা নাই। সিঁচাৰ বিজুতিতহে নগজে। গহপুৰতো গজা নাছিল।

শ্ৰীমোহন বসুমতাৰী :—লোকেলি কিনা হৈছিল নেকি যাৰ কাৰণে নগজিল ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি মন্ত্ৰী) :—তেনেকৈ কোৱা নাই।

**বিঃ প্ৰাথমিক বিদ্যালয়, মোক্তাব চৰকাৰী কৰণ।**

শ্ৰীমতী মৃদুলা চহৰীয়াই সুধিছে :

*৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

১৯৭৮ চনৰ পিচত স্থাপিত হোৱা প্ৰাথমিক বিদ্যালয়, মোক্তাৰ সমূহ চৰকাৰী কৰণৰ কি ব্যৱস্থা চৰকাৰে হাতত লৈছে ?

শ্ৰীমুকুট শৰ্মা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

বৰ্ত্তমান লোৱাৰ কথা বিবেচনা কৰা নাই।

শ্ৰীমতী মৃদুলা চহৰীয়া :—এই চৈধ্যশ সাতানব্বৈ খন স্কুল চৰকাৰীকৰণৰ কাৰণে কথা চিন্তা কৰা নাই নেকি ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষামন্ত্ৰী ) ১৯৮২ চনত চাৰি হাজাৰ সাতানব্বৈ খন স্কুল চৰকাৰে লম বুলি সিদ্ধান্ত কৰিছিল। তাৰে ছাব্বিশ শ খন লোৱা হ'ল আৰু বাকী খিনি এই বিত্তীয় বছৰত লোৱাৰ কথা চিন্তা কৰা হৈছে।

শ্ৰীচিৰাজুদ্দিন আহমেদ :—কেতিয়াৰ পৰা লব ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষামন্ত্ৰী ) :—১৯৭৮ চনৰ ৩১ মাৰ্চৰ ভিতৰত গঠিত হোৱা স্কুল সমূহক ধৰা হব।

শ্ৰীচিৰাজুদ্দিন আহমেদ :—এই বিলাক লোৱাৰ আগতে চাৰ্ভে কৰা হব নেকি যে সেই ঠাই বিলাকত স্কুল আছে নে নাই ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষামন্ত্ৰী ) :—আগতে কৰা হৈছে যদি মাননীয় সদস্যই তেনে ভাৱে বিবেচনা কৰে কৰা হব। কিন্তু ইয়াৰ দ্বাৰা পলম হব।

Shri Benoy Kumar Basumatary :—Mr. Speaker Sir, what is the reason for repeatedly discreminating schools in Udalguri constituancy which were established as early as in 1965. All those lists were submitted repeatedly by me. Even to-day, these schools were not included in the lists of provincialisation of schools.

Shri Mukut Sarma ( Minister, Education ) :—Sir, if these schools are in the list, it will be taken np.

শ্ৰীপূৰ্ণ বড়ো :—মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে কিছুমান স্কুল চৰকাৰে লব। কথা হৈছে বড়ো মাধ্যমৰ শিক্ষক কিছুমানে অসমীয়া মাধ্যমৰ প্ৰাইমাৰী স্কুলত কাম কৰি আছে সেই ক্ষেত্ৰত কি ব্যৱস্থা লব খুজি:ছ জানিব খুজিছো। বড়ো মাধ্যমৰ স্কুল বিলাক চৰকাৰী কৰণ কৰাৰ দ্বাৰা বড়ো মাধ্যমৰ শিক্ষকে অসমীয়া মাধ্যমৰ স্কুলত কাম কৰি থকা সকল বাদ পৰি যাব নালাগে।

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী ) :—আমি স্কুল বিলাক লওঁতে এই বিলাক কথা চাব লাগিব।

শ্ৰীহেমেন দাস :—যি বিলাক ঠাইত বড়ো ভাষা পঢ়াই আছে বড়ো

লৰাই আৰু যি ক্ষেত্ৰত বড়ো শিক্ষকে অসমীয়া মাধ্যমত পঢ়াই আছে সেই বিলাকত কি ব্যৱস্থা লব ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী ) :—এডিচনেল পোষ্টৰ দৰকাৰ হব ।

শ্ৰীহেমেন দাস :—বেলেগ স্কুল কৰিব লাগিব নেকি ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী ) :—সেইটো পৰীক্ষা কৰি চাব লাগিব ।

Shri Binoy Kumar Basumatari :—Sir, Hon'ble Minister had assured that the teachers will be appointed. But Sir, in my constituency, one Nepali speaking boy who established the school, he was chased away by the Sub-Inspector of School with remarks that–"you are foreigner, your case will not be considered."

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী ) :—এইটো পাৰ্টিকুলাৰ্চ কম্প্লিট হলে কৰা হব ।

শ্ৰীবিমল চন্দ্ৰ গয়াৰী :—বড়ো মাধ্যমৰ শিক্ষক থকা অসমীয়া প্ৰাথমিক স্কুলত যিবিলাকত অসমীয়া মাধ্যমৰ লৰা-ছোৱালী নাই কিন্তু বড়ো মাধ্যমৰ লৰা-ছোৱালী আছে কিন্তু শিক্ষক নাই সেইটো কি কৰিব ?

শ্ৰীমুকুট শৰ্মা ( শিক্ষা মন্ত্ৰী ) :-সেইটো বিবেচনা কৰি চোৱা হব ।

## SHORT NOTICE
## QUESTIONS AND ANSWERS
Date:- 9th September, 1983

### বিঃ ৰঙিয়াৰ কাঠ শিল্প প্ৰশিক্ষন কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীৰ জলপানী

১। শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৰঙিয়াত অৱস্থিত কাঠ শিল্প প্ৰশিক্ষন কেন্দ্ৰত ৭ জন প্ৰশিক্ষাৰ্থীক এবছৰীয়া প্ৰশিক্ষন দিয়া দিয়া হৈছিল নেকি ?

খ) যদি হৈছিল প্ৰশিক্ষণৰ কালছোৱাত প্ৰতিমাহে দিব লগীয়া ১০০ টকা ষ্টাইপেন প্ৰশিক্ষাৰ্থীক দিয়া হৈছিল নে ?

গ) যদি দিয়া নাই কিয় ?

শ্ৰীকেশৱ গগৈ ( উদ্যোগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) মাননীয় সদস্যই বোধকৰো বৰ্ত্তমানে ৰঙিয়া কাঠ শিল্প প্ৰশিক্ষণ কেন্দ্ৰত ছলি থকা ৮ জন প্ৰশিক্ষাৰ্থীৰ কথাকেই কব খুজিছে।

খ) উপৰোক্ত প্ৰশিক্ষাৰ্থী কেইজনক এতিয়ালৈ জলপানীৰ টকা দিয়া হোৱা নাই।

গ) প্ৰৰ্ব্বাসৰ প্ৰচলিত প্ৰথা অনুযায়ী আমি ৫ জনৰ জলপানী গত বছৰতেই ২/৮/৮২ তাৰিখেই দিছিলো। কিন্তু ৫ জনৰ ঠাইত ৮ জন ভৰ্ত্তি কৰাত আটাইকেইজনৰ বাবে মঞ্জুৰী নহোৱাত পাঁচ জনক টকা দিয়া হোৱা নাই। এতিয়া এই সম্পৰ্কত স্পষ্টীকৰণ আনি গোটেই ৮ জনৰ বাবে প্ৰত্যেকক ৮০ টকাকৈ মঞ্জুৰ কৰা হৈছে আৰু অলপতে আটাইকেইজনে জলপানীৰ টকা পাব।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ মন্ত্ৰী) :—মাননীয় সদস্য গৰাকীয়ে বোধহয় ৰঙিয়া কাঠশিল্প প্ৰশিক্ষণ কেন্দ্ৰত থকা আঠ জন প্ৰশিক্ষাৰ্থীৰ কথা উল্লেখ কৰিছে। উপৰোক্ত আঠজনক তাত টকা দিয়া হোৱা নাই। জলপানী দিয়াৰ কাৰণে ব্যৱস্থা আছিল পাচজনৰ কাৰণে। কিন্তু পাচ জনৰ ঠাইত ২-৮-৮২ তাৰিখৰ পৰা আঠজন লোৱা হৈছিল সেয়ে এই সম্পৰ্কে স্পষ্টীকৰণ আনি গোটেই আঠজনৰ কাৰণে মাহিলী আশী টকালৈ জলপানী মঞ্জুৰ কৰা হৈছে।

শ্ৰীপূৰ্ণ বড়ো :—যি কেইজন প্ৰশিক্ষাৰ্থীয়ে তাত শিক্ষা লাভ কৰি আছে তেওঁলোকক কি কি কাম শিকোৱা হয় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ মন্ত্ৰী) :—ট্ৰেইনিং কাম প্ৰডাকচন চেণ্টাৰত কাৰপেণ্টি আদি শিকোৱা হয় আৰু তাৰ কাৰণে আশী টকাকৈ জলপানী দিয়া হয়।

শ্ৰীপূৰ্ণ বড়ো :—ৰঙিয়া ছাৰ্কোলৰ ভিতৰত উদ্যোগ বিভাগৰ অন্য কিবা প্ৰশিক্ষণৰ কেন্দ্ৰ তাত আছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ মন্ত্ৰী) :—উদ্যোগ বিভাগৰ ২৯ টা ট্ৰেইনিং চেণ্টাৰ আছে অসমৰ ভিতৰত।

শ্ৰীপূৰ্ণ বড়ো :—এই প্ৰশিক্ষাৰ্থী সকলৰ ক্ষেত্ৰত প্ৰশিক্ষণৰ কাল পাৰ হোৱাৰ পিচত কিবা কাম দিয়াৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (উদ্যোগ মন্ত্ৰী) :—ট্ৰেইনিং দিলেই কাম দিয়াৰ ব্যৱস্থা নাই কিন্তু বিশেষকৈ যি বিলাক ডি.আই.চি আছে তাত নিযুক্তি পোৱাত সহায়ক হয়।

Mr. Speaker :–Grant No. 31 to be moved by Hon'ble Minister Shri Mukut Sarma.

Shri Mukut Sarma ( Minister, Education ) :—On the recommendation of the Governor of Assam. I beg, Sir, to move that a sum of Rs 80,15,97,000 be granted to the Minister-in-charge to complete the sum of Rs 1,56,13, 06,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1984 for the administration of "Education".

Mr. Speaker :—Two Cut Motions have been submited, one by Shri purna boro, Shri Hemen Das and Shri Mathura Deka and another by Shri Binoy Kumar Basumatary and Shri Alit Chandra Boro.

Shri Purna Boro :–That the total provision of Rs. 1,56, 13,06,000, under Grant No. 31, in respect of "Education" at pages 1-92 of Vollume II, Part VIII of the Budget, be reduced to Re 1/–,i.e, the amount of the whole grant of Rs. 1.56,13,06,000, do stand reduced to Rs 1/-.

Mr. Speaker :—The second cut motion to be moved by Shri Binoy Kumar Basumatary.

Shri Binoy Kumar Basumatary :—That the total provision of Rs. 1,56,13,06,000 under Grant No. 31 in respect of "Education" at pages 1–92 of Volume II, Part VIII of the Budget, de reduced to Rs 1/–i.e the amouut of the whole grant of Rs. 1.56,13,06,000, do stand reduced to Rs 1/-only.

শ্ৰীপূৰ্ণ বড়ো ঃ—মাননীয় অধ্যক্ষ মহোদয়, এই শিক্ষা বিভাগত যি ধন দিবলৈ লোৱা হৈছে তাত কৰ্তন প্ৰস্তাৱ আমি উত্থাপন কৰিছো। এই কৰ্তন প্ৰস্তাৱ এই কাৰণেই যে অসমৰ শিক্ষা জীৱনৰ পৰিৱেশ নষ্ট হৈ গৈছে। শিক্ষা জীৱনৰ সমস্যাবিলাক সুস্থ কৰি তোলাৰ কাৰণে

যি ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব লাগিছিল তেনেভাৱে কৰিব পৰা নাই। আমি দেখিছো যে আজি শিক্ষানুস্থান সমূহত ছাত্ৰ সকলৰ মাজত উশৃঙ্খলতা বৃদ্ধি পাইছে। শিক্ষক শিক্ষয়িত্ৰী সকল অপদস্ত হৈছে। পৰীক্ষা সমূহত প্ৰৱল ধৰণে নকল আদি চলিছে। পৰীক্ষা দিবলৈ গৈ পৰীক্ষা হলত নকল কৰা হৈছে। দুই এজন শিক্ষক-শিক্ষয়িত্ৰীয়ে সাহস কৰি এই নকল ধৰা পেলাইছে। কিন্তু পৰিণামত দেখা গৈছে যে নকল ধৰা এই শিক্ষক-শিক্ষয়িত্ৰী সকলে অপদস্থ হবলগীয়া হৈছে। এনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ নৈতিকতাৰ ক্ষেত্ৰত যি অবনতি ঘটিছে সেইটো ঘূৰাই অনাৰ প্ৰয়োজন হৈছে। ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ শিক্ষক শিক্ষয়িত্ৰী সকলক সন্মান কৰিব লাগে। শিক্ষকৰ পৰা পাঠ গ্ৰহণ কৰিব লাগে। কিন্তু যোৱা নিৰ্বাচনত যি সকল শিক্ষক শিক্ষয়িত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল, তেওঁলোক স্কুল কলেজলৈ গলে ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীবোৰ বৰ্জন কৰে। এই কথাটো চৰকাৰৰ দৃষ্টিগোচৰ কৰাত চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰাৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে স্কুললৈ যাব নোৱাৰা সকলে বিশেষ ছুটি লব লাগে বুলি কয়। কিন্তু শিক্ষা বিভাগৰ ফালৰ পৰা কোৱা হয় যে বিশেষ ছুটিৰ কোনো ব্যৱস্থা নাই। কাজেই যিসকল শিক্ষক শিক্ষয়িত্ৰীৰ শ্ৰেণী বৰ্জ্জন এতিয়াও চলি আছে আৰু যি সকল শ্ৰেণীলৈ যাব পৰা অৱস্থা এতিয়াও হোৱা নাই— এই ব্যৱস্থা যদি চলি থাকিবলৈ দিয়া হয় তেনেহলে শৈক্ষিক জীৱনৰ সুষ্ঠতা কেতিয়াও ঘূৰি আহিব নোৱাৰে। গুৱাহাটীৰে কালীৰাম বৰুৱা হাইস্কুলৰ (ছোৱালী) হাইস্কুলৰ এগৰাকী শিক্ষয়িত্ৰীক কেৱল ছাত্ৰী সকলে বৰ্জ্জন কৰা নাই, তেওঁতক স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু অন্যান্য শিক্ষক শিক্ষয়িত্ৰী সকলেও বৰ্জ্জন কৰিছে। গতিকে এই অৱস্থাত আমি শিক্ষা জীৱণৰ সুস্থতা ঘূৰাই অনাটো বিছাৰো। সেই কাৰণে আমি আজি এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো আৰু আমাৰ অভিযোগবোৰো ব্যক্ত কৰিছো।

ইয়াৰোপৰি আৰু বহুত সমস্যা আছে। শিক্ষক সকলৰ বাছনি কৰিয়েই হাইস্কুল বা এম্, ই, স্কুল সমূহৰ প্ৰধান শিক্ষক সকলক নিয়োগ কৰা হয়। আমি জানো যে কিছুমান হাইস্কুল আৰু এম, ই, স্কুলৰ প্ৰধান শিক্ষক অৱসৰ হৈছে বা হব এনেকুৱা ক্ষেত্ৰত প্ৰধান শিক্ষক

সকলৰ নিৰ্বাচনৰ কাম ১৯৭০ চনৰ পিচৰ পৰাই হোৱা নাই। গতিকে এই ক্ষেত্ৰত প্ৰধান শিক্ষকৰ নিযুক্তিৰ ব্যৱস্থাটো অনতিপলমে কৰিব লাগে। গুৱাহাটীত সংস্কৃত কলেজৰ নিচিনা কলেজতো কোনো অধীক্ষক নাই। এই কলেজত প্ৰায়বোৰ বিষয়তে আজি শিক্ষক নাই। এই অৱস্থাত এনে ধৰণৰ শিক্ষানুস্থান বিলাক এই ধৰণেৰে চলি থাকিবলৈ দিব নে শিক্ষা বিভাগে ইয়াৰ যথাযথ ব্যৱস্থা গ্ৰহণ কৰিব। আনহাতে বিদ্যালয় সমূহত শিক্ষক সকলে কাম কৰি আছে যদিও সময়মতে দৰমহা নেপায়। আজি প্লেন ননপ্লেন শিতান থকাৰ বাবে আমি জনাত স্বাভাবিক শিতানৰ পৰা যি দৰমহা দিয়া হয় প্ৰতি মাহে সেই দৰমহা পাই আছে।

আমি জানো যে পৰিকল্পনা শিতানৰ পৰা যি সকলক দৰমহা দিয়া হয় সেই সকলে প্ৰতি মাহে দৰমহা নাপায়। অসমীয়া আৰু বড়ো মাধ্যমৰ স্কুলবোৰত এই উভয় বিধ শিক্ষকেই আছে, কিন্তু তেওঁলোকে তিনি মাহৰ পৰা ছ মাহলৈকে দৰমহাৰ কাৰণে বাট চাই থাকিবলগীয়া হয়। এই শিক্ষক সকল নিয়োগ কৰা হ'ল, নিয়োগ কৰাৰ পিছত যদি তেওঁলোকক প্ৰতি মাহে দৰমহা দিয়াৰ ব্যৱস্থা কৰা নহয় তেন্তে প্ৰশ্ন উঠে স্বাভাৱিক শিতানত ধন ধৰা নহয় নে কি? এই ক্ষেত্ৰত শিক্ষা মন্ত্ৰী আৰু শিক্ষা বিষয়া সকলে কি চিন্তা কৰিছে আমাক জনাব। আনহাতেদি অন্য বহুত সংখ্যক স্কুল আছে সেই বিলাক তদৰ্থ মঞ্জুৰী প্ৰাপ্ত স্কুল। স্কুল বিলাক সাধাৰণতে ৰাইজেই খোলে, চৰকাৰৰ ফালৰ পৰা পাতি দিয়া নহয়। গাঁৱৰ ৰাইজে মিলি স্কুল পাতে আৰু চৰকাৰে পৰ্যায়ক্ৰমে মানি লয়। কিন্তু এই ব্যৱস্থা ইমান দীঘলীয়া হৈ যায় যে ১০ বছৰৰ মূৰতো একোখন স্কুল হৈ নুঠেগৈ। এনে ক্ষেত্ৰত যিবিলাক তদৰ্থ মঞ্জুৰীপ্ৰাপ্ত হাইস্কুল, এম, ই স্কুল আছে সেই বিলাক স্কুলৰ ব্যৱস্থা চৰকাৰে কিয় কৰা নাই? এই বিলাক স্কুলৰ ক্ষেত্ৰত বহুতবাৰ পাৰ্টিকুলাৰ বিচৰা হৈছে। এইবিলাক স্কুল চৰকাৰে লোৱাৰ ব্যৱস্থা কৰা নাই। গতিকে এইবিলাক আজি চোৱাটো প্ৰয়োজন হৈছে। আনহাতেদি, যি বিলাক স্কুল ৰাইজে পাতিলে সেইবিলাক আজি চৰকাৰে লোৱাৰ প্ৰয়োজন। বহুতো বড়ো আৰু অসমীয়া মাধ্যমৰ স্কুল ৰাইজে আৰম্ভ কৰিছে হাইস্কুল আৰু এম ই স্কুলৰ ক্ষেত্ৰত এটা কথা পৰিলক্ষিত হৈছে

যে স্কুলবিলাক আৰম্ভ কৰাৰ পিচত তথ্য পাতি বিচৰাৰ পিচতো আজি পাঁচ ছয় বছৰ হ'ল কিন্তু অনুমতি হলে দিয়া নাই। এইবিলাক স্কুলত গৰীৱ মানুহৰ লৰা-ছোৱালীয়ে পঢ়ে চৰকাৰে এনেবিলাক স্কুল যদি নলয় তেন্তে সেই সকলৰ অৱস্থা কি হব ? এই স্কুলবিলাক ভাঙি দিব নোৱাৰি লোৱাৰ ব্যৱস্থা নিশ্চয় কৰিব লাগিব। ইয়াৰোপৰি আন এটা কথা লক্ষ্য কৰা হৈছে যে অনাঅসমীয়া মাধ্যমৰ যিবিলাক স্কুল আছে সেই-বিলাকত অসমীয়া চাবজেক্ট টিচাৰ হিচাবত নিয়োগ কৰা হৈছে, কিন্তু এইবিলাক অসম্পুৰ্ণ হৈ ৰৈছে। বহু আবেদন নিবেদন কৰা স্বত্বেও এই বিলাক সম্পুৰ্ণ হোৱা নাই। আমি অভিযোগ পাই আছোঁ যে বহুতো এম ই আৰু হাইস্কুল বাদ পৰি আছে। এইবিলাকত অতি শীঘ্ৰে অসমীয়া বিষয়ৰ শিক্ষক নিয়োগৰ প্ৰয়োজন। আমি জানো যে যি শিক্ষা নীতি ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য কৰি ৰচনা কৰা উচিত আৰু এই সদনত বহুতো মাননীয় সদস্যই ভাষণত কৈছে যে আমাৰ শিক্ষাব্যৱস্থাটো পৰিবৰ্ত্তন কৰিব লাগিব।

শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়, আজি এই কথাটো আমাৰ শিক্ষা বিভাগ আৰু শিক্ষা মন্ত্ৰীয়ে চিন্তা কৰি চাব আৰু উচিত ব্যৱস্থা গ্ৰহণ কৰিব। আজি আমি দেখিছোঁ স্কুল সমূহৰ শতকৰা ৪০ ভাগৰে স্থায়ী ভৱন নাই। গতিকে স্কুল সমূহৰ স্থায়ী ভৱনেই যদি নাথাকে তেন্তে সেই বিলাক অনুস্থানৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰা কি ভাল ফল আশা কৰিব পাৰি ? স্থায়ী ভৱন নিৰ্মাণৰ ব্যৱস্থাটো অতি সোনকালে হাতত লব লাগে। আমাৰ বহুবিলাক স্কুল আছে য'ত খোৱা পানীৰ ব্যৱস্থা নাই তাৰো ব্যৱস্থা অতি শীঘ্ৰে কৰিব লাগে।

দেশত গণতান্ত্ৰিত শিক্ষা ব্যৱস্থা গঢ়ি তুলিবলৈ হলে আজি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে শিক্ষাৰ বাবে অধিক ধনৰ ব্যৱস্থা কৰিব লাগিব। আমি দেখিছোঁ যে পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতি জীৱনৰ বাস্তৱ সমস্যাৰ লগত ওতঃ প্ৰোতঃ ভাৱে জড়িত নহয়। গতিকে পাঠ্যক্ৰম আৰু পৰীক্ষা পদ্ধতি জীৱনৰ লগত ওতঃ প্ৰোতঃ ভাবে জড়িত কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাৰ দৰকাৰ। আমি লক্ষ্য কৰিছো যে নতুন শিক্ষানুষ্ঠান আৰু শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰী বিভাগ যিমান আগ্ৰহশীল হব লাগে সিমান হোৱা নাই আৰু শিক্ষাৰ যি পাঠ্যক্ৰম সেই পাঠ্যক্ৰম বিজ্ঞান সন্মত নহয়। এইবোৰ বিজ্ঞান সন্মত আৰু জীৱনমুখী হব লাগে। আজি

আমাৰ শিক্ষা বৃত্তিমুখী কৰাটো অতীৱ প্ৰয়োজন হৈ পৰিছে। এই খিনিতে এটা কথা উল্লেখ কৰোঁ যে বিগত বছৰটোৰ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে মেৰিট স্কলাৰশ্বিপ নেপালে। লৱাৰ ইনকাম গ্ৰুপৰ ছাত্ৰ-ছাত্ৰীয়েও এই বৃত্তি পোৱা নাই। আমাৰ বহুতো ছাত্ৰ-ছাত্ৰী আছে যি বৃত্তিৰ টকা কেইটাৰ ওপৰতে নিৰ্ভৰ কৰি প্ৰথম বৰ্ষিকৰ পৰীক্ষাৰ পিচত দ্বিতীয় বাৰ্ষিকত ভৰ্ত্তি হবলৈ বাট চাই থাকে। ঠিক সেইদৰে ডিগ্ৰী ক'ৰ্চৰ ছাত্ৰ-ছাত্ৰীৰো একে অৱস্থা। এই অতি প্ৰয়োজনীয় কথাটো শিক্ষা বিভাগে চিন্তা কৰা প্ৰয়োজন।

মই আৰু বেছি সময় লব খোজা নাই যিহেতু আমাৰ অন্যান্য মাননীয় সদস্যসকলেও বক্তব্য ৰাখিব। সাম্প্ৰতিক সংঘৰ্ষত সি সকল ছাত্ৰ-ছাত্ৰী ক্ষতিগ্ৰস্ত হল এই ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰী সকলক পৰ্য্যাপ্ত পৰিমাণে সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগিছিল আৰু ইতিমধ্যে চৰকাৰে এই ব্যৱস্থা কৰা দৰকাৰ। আনহাতে দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া শিক্ষা প্ৰৱৰ্তন কৰা দৰকাৰ। আমি নিৰক্ষৰতাৰ কথা কওঁ, আমাৰ দেশৰ পৰা নিৰক্ষৰতা আতৰ হোৱা নাই। তেনে অৱস্থাত আজি বিনামূলীয়া শিক্ষা দিয়াটো অতী প্ৰয়োজন হৈ পৰিছে। দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া শিক্ষা নিদিয়ালৈকে নিৰক্ষ-ৰতা আতৰ কৰাৰ কথা চিন্তা কৰিব নোৱাৰো। প্ৰাথমিক স্কুলত আজি বিনা-মূলীয়াকৈ আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰা নাই। পাঠপুথিৰ লগতে এই বিনামূলীয়া আহাৰ দিয়াৰ ব্যৱস্থা যদি হয় তেন্তে নিশ্চয় ছাত্ৰ-ছাত্ৰীসকল উপকৃত হব। অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে আসন সংৰক্ষণ কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ প্ৰদানৰ কাৰণে ব্যৱস্থা হব লাগে। অনুসূচীত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে আসন সংৰক্ষণৰ ব্যৱস্থা অব্যাহত ৰাখিব লাগে। আনহাতে পাঠ্যক্ৰমৰ ক্ষেত্ৰত কব লাগিব যে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ মাজত অমিল আছে। আজি ছাত্ৰ-ছাত্ৰী সকলক হোষ্টেলৰ সুবিধা দিব পৰা নাই। হোষ্টেল সমূহত ছাত্ৰ-ছাত্ৰী সকলক খাদ্য সামগ্ৰী সুলভ মূল্যত যোগান দিয়া প্ৰয়োজন ! বাছেৰে অহা যোৱা কৰা ছাত্ৰ-ছাত্ৰী সকলক বাচৰ ভাড়া ৰেহাই দিয়া প্ৰয়োজন। খেলা-ধূলাত, সাংস্কৃতিক দিশত প্ৰতিভা বিকাশৰ কাৰণে বিদ্যালয় সমূহত ব্যৱস্থা কৰা প্ৰয়োজন হৈ পৰিছে। গতিকে আমি বিচাৰিম শিক্ষা বিভাগ তথা শিক্ষা মন্ত্ৰীয়ে বৰ্তমান

শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহ আতৰ কৰাৰ কাৰণে ব্যৱস্থা কৰিব। লগতে বৰ্ত্তমানে যি বিশৃঙ্খলা দেখা দিছে এই ক্ষেত্ৰত সঠিক ব্যৱস্থা গ্ৰহণ কৰিব। মই বক্তব্য দীঘলীয়া নকৰো। মাননীয় সদস্য সকলে এই ক্ষেত্ৰত বক্তব্য উত্থাপন কৰিব। এইখিনিকে কৈ কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰিলো।

Shri Binoy Kumar Basumatari :—Mr. Speaker, Sir, the demand for grant for Education Department is in front of us. The total allocation of Rs. 156,13 06,000/- covers the planned non-planned 615 scheduled areas, planned and non-planned allocations. Out of this grant in the primary Education alone over Rs. 66 crores is proposed to be spent, and out of this Rs. 66 crores Rs.19,82,000/- is proposed to be spent for administration and for inspection it proposes to spend Rs. 1,82 61,000. So for administration and inspection only. with regard to primary education, it has been proposed to spend over Rs. 2 crores. But I wish to bring to the notice of the Government that under head of Inspection though a big amount has been allocated, no Inspection of schools visits any school. They prepare the inspection report sitting in their own offices. It is also a fact that those teachers who remain absent they to get their salary regularly because the teachers approach the S. I. of Schools in their residences giving them a share of their absentee pay. Things are very much in practice in my constituency. I think it is a common feature of the S. I.'s all over the State. Regarding provincialisation and recognition of schools these Inspectors never submit their inspection report after they visit or inspect the schools. It a primary school is to get a favourable report from the S. I. he is to be adequately provided

with things like Joha rice, row fish etc. I have already mentioned about Bengbari School in the question hour. I do not like to repeat the same. In most cases, most of the S. I.'s are on the same stand with the student agitators. If an S. I. can declare some one as a foreigner then what does the Government thinks.' Is he not with students agitators ? In our areas we have reasons belive that the teachers are running the agitation. They are conducting the agitation. In regard to Boro Medium Schools, some schools have not yet been provincialised. These is one school which was established in 1965 but this school has not yet been provincialised. And when our people, who are illiterate, visit the D. I'.s office at Mangaldoi people are addressed by the staff as "junglee". They say to these people "you should go back to your home", and why these junglee people should educate their children. The Head Assistant of the D. I. s office, who is always inabriated behaves with our people very indecently We have complained about his behaviour and he was transferred but he approached the Lower Court and the Court and the Court has stayed him. Such things are going on in the Education Deptt. Even if serious charges are levelled by Hon. members of this Assembly, the Government cannot take any steps on these S. Is and teachers and staffs. If this state of affairs in the Education Deptt. continues, we cannot approve this demand. Sir, there is an amount of Rs. 3,40,000/- to be distributed as assistance to the Non. Government primary schools. As far as I am concerned. I think I was never sought of any advice or suggestion that I should be provided with a list of schools for

grant of this assistance to non. Government primary schools. I do not know where this amount is being distributed. Neither has the Hon. Minister never enlighted the House about this, but in the Demand it has been provided. Regarding Secondary Education it has been proposed to spend Rs. 5,25,04,000/– on inspection under planned and non-planned allocations in scheduled and non-scheduled areas etc. There is also another head for Secondary School for Govt. grant of Rs. 3,32,00000/-. But I wish to report to the august House that these schools have become nobody's business. Only the Headmasters rule the secondary Schools. They charge building fees, admission fees, examination fees etc. and in this way these schools earn a lot of mony. They also earn a lot of money from the products sold from work experience. For instance. the turn over from selling work experience products amount to thousands of rupees and this amounts are never shown in the records. Then there are the annual functions. Originally the annual functions were supposed to report the functioning of the schools - administrative measures taken and the position of the schools. Now a days these annual day functions confine to dance and music–the real position of the schools are not placed. I wish to draw the attention of the Minister in charge so that these schools could be brought under control. An amount of over 97 lakhs of ruppes are proposed under 'Adult Education. 'But what are the schemes ? The least benefits out of the adult education allocation has not gone into the interior areas like my constituencys. The assis-

tance proposed to non Govt. colleges amount to Rs. 11 crores and odd, but I can very well record it that not a single college in the Tribal Sub plan areas have received a single rupee from under this head. There are are colleges in Sarfanguri Udalguri, Barpeta and Jalah all these in tribal areas-but out of this 11 crores not a single ruppee has gone to these colleges. There is clear discrimination because these colleges are in tribal areas and these colleges were started with Englsh medium. For the last five years we have been trying to obtain a clear cut quantification of the Tribal Sub Plan grants of the Education Department but we have failed. Even in this year's budget the Govt. have not quantified this allocation. For the last five years there has been a Tribal Sub Plan for tribal education but nowhere in the 'Demand for Grants' we have seen that quantified amount. Sir, there is a Planning cell in the D.P.Is office and this cell has sabotaged this quantification. Then there are some grants for universities and other things. Sir, what are these universities doing ? We are having a lot of difficulty in the matter of getting affiliation from the Gauhati University. Sir, there is an untold, unexpressed division in the educational sphere of the State, particularly in case of those belonging to the tribal communities and minorities who have been demanding implementation of English medium as medium of instruction and the Gauhati University has failed to provide justice to the minority educational institutions. Therefore, Sir, I place a demand before the House that in the North Bank one university should be established so

that the tribal people and the minorities have easy access. Sir, I have gone though the demands in detila and I have not found anywhere that Middle English Schools will also be provided with grants. There are of course heads for grants to Middle English schools but not a single rupees has been earmarked for these schools. There are heads for Secondary and Primary education but for Middle English Schools no specific amount has been shown. Now, a little about the Tribal Sub Plan. In my constituency there is a school under the name 'Lal Bahadur shashtri school' which was established in in the year 1960. On 11th of August 1980 the ITDP of Mangaldoi had granted a sum of 11 thousand rupees to this school, but surprisingly in the D.P.I's office the name of this school had been cut off and even today this grant has not gone to the school. During the last holocaust in the month of February, Sahid Maniram Boro L.P. School and Puthimari L.P. school near Dhekiajuli were completely gutted and destroyed by the agitationists. Today the boys are sitting under the trees. We have seen that an amount of 60 crores of rupees have been provided for relief and rehabilitation of the affected people and their institutions and we are told that these schools will be re-constructed from this relief grant but even today no grants have been allotted to these schools. These were fully established schools with furnitures and other equipment for teaching but even today these schools have not been reconstructed. Sir, I wish to ask from which Head, such schools destroyed during the trouble will be recon-

structed ? Sir, I want to bring on record some dictatorial works that are going in the inspectorate. By the month of August, 1981 Kathalguri M.E. school in my constituency received over 87 thousand rupees but out of that amount a sum of over Rs. 37 thousand was defalcated by the Headmaster and the then Secretary of the school, and the D.I. instructed me personally to reconstitute the Managing Committee, and accordingly, we, after holding a public meeting reconstituted the Managing Commitee with this humble self on the Chairman. But unfortunately immediately thereafter I had to go abroad and on my return I learnt that the Rulling Party had placed one man who absconded from service after defalcating several thousands of rupees from a Marketing Society. This man was brought again and was elected as Chairman. He has pressurised the D. I. and the recommendations of the fictitious committee was approved. Not only That Sir, we had decided to remove the headmaster for defalcating this Rs. 37,000/-. No audit was conducted by the department nor any steps taken by them. But this headmaster was re-instated in service by the government. Not only that, Sir. We had very few students belonging to Assamese-speaking community in the school numbering about six and we decided that the Assamese medium should be stopped. Then this headmaster along with the Chairman and the Managing Committee brought police on the plea that Assamese medium was driven out and devided the school properties like blackboards, almirahs and took away the school about 2 miles south from the existing school, and the serious thing that the Inspector of Schools

had done is that the school which was an established school since a long time- that is in 1974, was declared as a Vanture school overnight and the school that was established with the help of police in a single day was declared a Government aided school. Sir, these are the processes by which they are creating a situation in the tribal areas. There are many instances which I hope the hon'ble Minister. Education will discuss with us and then we will Give details to him because. I do not want to take a lot of time of this House. Sir, with these words, I move that the Demand be refused.

Sri Muhammed Umaruddin :—Mr. Depty Speaker, Sir, I want to speak not on Cut Motion but on the Motion itself for certain clarifications. Sir, the total budget for the Education department is for a very large sum of money, that is Rs. 1.56 13,06.000 which is almost one-fourth of the total expenditure. The whole process of Education comes under 3 stages (1) Primary (2) Secondary and (3) College and other technical edcation etc. There I fiind under Primary Education which is most important part of educations and which is compulsory under the Constitution that the total sum provided is Rs. 66 crores. Sir, all this amount is being spent from year to year. Sir, how is it that different parts of the state- from district to district, subdivisions to subdivisions mony is not being spent on equal basis ? How can we remove this disparity and imbalance ? Sir, we may not be scientists or highly learned men butwhat the people would demand and deserve and a right to demand is literacy. Sir, in this primary Education, I have told time and

again that certain areas have been neglected for the last 35 years and of these districts, my district is one and the only one in the Plains districts where literacy is about 20.6% only, acording to 1971 consus, though after the districts have been divided, there is some difference. I have examined the whole position and statistics for the last 30 years and I find that this disparity between one district and another continued ; never the Government cared to examine the position to find out the reasons for this and to bridge this gap and disparity. Sir, it is the moral and constitutional duty of the Government to examine this positions from time to time and then take steps to bridge the gap but nothing has been done in this direction by the Govt.

It is something like carrying coal to the New Castle ; some are progressing faster and others are lagging behind Sir, there are certain areas like Char and Hill areas and inaccessible areas where again education hardly reached. So, I would like to tell the hon'ble Minister, education that the whole position should be examined carefully and a clear-cut policy decision should be made so that within a given time ( say, 3/4 years ) through an accelerated or crash programme all these gaps or disparity be bridged as far as possible.

Sir, last time abaut 2600 venture schools were taken over and we the M.L.As from the district of Goalpara demanded that all the ventures schools of this district should be taken over but it was not done but some were taken over. Sir, the Minister, Education toured

many districts several times but he had never toured our district.

Sri Mukut sarma :—Not during this Ministry.

Shri Muhammed Umaruddin :—Sir, this Primary education on must have a clear-cut policy and that the whole position must be examined properly and the disparity identified and steps taken to remove the disparity i.e. through a crash programme the disparity is removed and the percentage of literacy rate is brought up as for as possible.

Now there is the question of school buildings. Sir, there are thousands of school buildings. I tried to find out whether there is any provision of fund for grants to the school buildings but I could not find any. Only I find in pag 8 "Other Expenditure" and under this head "Other Expenditure" there is provision for Rs. 3/4 crores. Sir, how can this 3/4 crores be shown under the head 'Other Expenditure". The sume is quite huge and why can't it be specified and described specifically that this provission is for such and such purpose. Sir, I have never come across such system of budgeting in my life.,

This 4 crores have come under the head— "Other Expenditure". What is this "Other Expenditure" ? I want to have a clarification whether this amount is for building grants or not. If this is so, how the Government will allot the building grants. I want to have a statement about its allocation for the last 3/4 years to see whether there had been any discrimination between district and district and sub-division to subdivision. Then again I want to know how the schools are selected for

getting such building grants. I have good reasons to believe there is a collusion between the S.I. and the school in the matter of getting sanction for the grants and it is sometimes found that some amount is misappropriated. Is this Rs. 4 crores going to benefit the schools ? Therefore I suggest to the hon'ble Minister— you can have a technical department and let the technical department go and inspect the schools, particularly in the beckward areas and make estimates of repairs carried out under departmental supervision so that the money does not go to the private pockets. So, I request the hon'ble Minster to see that a clear policy is evolved and valuable money is not wasted.

The second point, Sir, is about technical education. There is a provision of Rs. 3 or 4 crores for technical education. But, Sir, the institutions for technical education are concentrated in a few places. Now, Sir, for technial education there are two stages—polytechnic and engineering colleges. If you examine you will find all these are concentrated in a few places and other places are deprived. Unemployment has assumed serious proportion in our State and we are to train our boys in various technical trades. So, where is the scope for training ? I do not want an engineering college but what I want is that there must be sufficient number of polytechnics and ITIs distributed in. such a way that there is a quick programme of development for technical manpower. This DRDA will not do Sir. It will touch the fringe of the problem when there are lakhs and lakhs of educated unemployed. The State will face a serious

problem in the near future. This agitation will go, this language agitation will go, but I predict agitation for employment will assume serious problem within next five or six years. Already our young people are restive. Therefore, let the Govt. study the situation and take such steps atleast in the educational field so that we create trained manpower and reduce unemployment and reduce the disparity as far as possible. Then again everything is concentrated, everything is done by DPI's office. Appointment of an L.P. teacher is done from DPI's office ; appointment of an Assistant Teacher is done from DPI's office. Why it cannot be decentralised ? The recruitment Policy of the Department should be such that there must be clear system for testing the cadidates and preparing the list for giving them appointment keeping in view the population pattern which policy we adopted in 1976 whe the present Chief Minister was the Education Minister. Sir, all the trouble come out from the Education Department, from schools and colleges. This is the ground of agitation. Therefore, Sir, before I conclude I again request the Government, the Chief Minister, The Education Minister to examine the matter thoroughly and evolve such a policy and programme so that we can face the problem squarely.

শ্ৰীহেমেন দাস :—উপাধ্যক্ষ মহোদয়, এই গ্ৰেণ্টৰ মই মোভাৰ আছিলো। মই যিহেতু অংশীদাৰ মোৰ কবলগীয়া হুষাৰমান আছে। চৰকাৰে বিষয়টো কেৱল টকা মঞ্জুৰীৰ ওপৰত সীমাবদ্ধ নেৰাখি আৰু অলপমান সম্প্ৰসাৰণ কৰিব লাগে। গোটেই অসমতে যোৱা কেইবছৰমান আগৰ পৰা শিক্ষাৰ শৈক্ষিক দিশতো আৰু ছাত্ৰৰ শৈক্ষিক জীৱনত এক প্ৰচণ্ড আঘাট হানিছে আৰু সেই আঘাটৰ যি ঘা এতিয়াও শুকোৱা নাই যোৱা,

১৯৮০ চনত এবছৰৰ কাৰণে লৰাছোৱালীৰ পঢ়াশুনা বন্ধ কৰি ৰাখিছিল। তেতিয়া মই কৈছিলো যে সমাজত শূন্যতা সৃষ্টি কৰাৰ এক অভিনব ষড়যন্ত্ৰ। আৰু এই ষড়যন্ত্ৰ আছিল কিছুমান ছাত্ৰক শিক্ষা জীৱনৰ পৰা আতৰাই হতাশগ্ৰস্ত কৰি সমাজ বিৰোধী এটা জেনেৰেচন তৈয়াৰ কৰাৰ ই এটা লক্ষ্য আছিল। আমি দুঃখিত আৰু এনে দুৰ্ভগীয়া দেশৰ মানুহ যে তেনেকুৱা কাৰ্য্যৰ বিৰুদ্ধেও আমাৰ এই অসমত সবব আন্দোলন নহল। অৱশেষত আমি কিছুমানে স্কুল কলেজ খোলাৰ কাৰণে কাম কৰিবলৈ বাধ্য হৈছিলো। বৰ্ত্তমান মুখ্যমন্ত্ৰীও সদনত উপস্থিত আছে তেখেতো বাধ্য হৈছিল। এই যে ষড়যন্ত্ৰ শিক্ষা জীৱন ধ্বংস কৰা, অসমৰ জনসাধা-ৰণক অন্ধকাৰ পথলৈ ঠেলি লৈ যোৱা ষড়যন্ত্ৰৰ বিৰুদ্ধে যদি ব্যৱস্থা লোৱা নহয় তেতিয়াহলে অসমৰ উত্তৰ পুৰুষৰ কেতিয়াও সুস্থ সবলতা আৰু শান্তি নাহিব। লগে লগে সেই ষড়যন্ত্ৰৰ দ্বাৰা গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত আঘাট হানিছিল আৰু সেই গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত যি আঘাট সি এতিয়াও শেষ হোৱা নাই। এনে ধৰণৰ মনোবৃত্তি হিটলাৰে দেখুৱাইছিল। হিটলাৰে কৈছিল যে তেওঁৰ কথা শুনিবই লাগিব। তেওঁৰ বাহিৰে আৰু আন মানুহ নাই। এই আছিল তেওৰ তত্ব। ঠিক তেনে তত্বই ইয়াত সেই সময়ত গ্ৰহণ কৰা হৈছিল আৰু সেই তত্ব সকলোকে মানি লবলৈ বাধ্য কৰাইছিল। স্কুল কলেজৰ ছাত্ৰছাত্ৰী যি সকলে গণতন্ত্ৰক মানি লৈছিল তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত এই তত্ব ব্যৱহাৰ কৰিছিল। যি সকল ছাত্ৰই কলেজৰ বা স্কুলৰ অনুশাসন মানিছিল বা যি সকল অধ্যাপক বা শিক্ষকে গণতন্ত্ৰক বিশ্বাস কৰিছিল অনুশাসন মানিছিল সেই সকলক বৰ্জন কৰা হৈছিল। অসমৰ এজন নামজ্বলা শ্ৰদ্ধেয় কবি কটন কলেজৰ অধ্যাপক নবকান্ত বৰুৱাৰ নিচিনা এজন স্বনাম-ধন্য ব্যক্তিক বৰ্জন কৰা, উদ্ভিদ বিভাগৰ কৰ্মী হৰি নাথ, ছাত্ৰ কৃষ্ণা দত্ত, জয়ন্ত দাসকে আদি কৰি বহুতকে সামাজিক ভাৱে বৰ্জন কৰে। এই যি সামাজিক বৰ্জন ই গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত এক প্ৰচণ্ড আক্ৰমণ। কিন্তু আমি একো ব্যৱস্থা এই ক্ষেত্ৰত লব নোৱাৰিলো। এই বিষয়টোৰ ওপৰত বিশেষ ভাৱে মনোনিবেশ কৰিব লগীয়া হৈছে। অসমৰ শৈক্ষিক জীৱনৰ ওপৰত যিটো গণতান্ত্ৰিক মূল্যবোধ চলি আছে তাত প্ৰত্যেকৰে মত পোষণ কৰি বা মত ৰাখি তৰ্কৰ জৰীয়তে যুক্তি দৰ্শাই ইয়াৰ এটা

চিন্তা আৰু উপায় উদ্ভাবন উলিয়াব লাগিছিল। কিন্তু এতিয়াও সেইটো কৰা হোৱা নাই। বহুজনক বৰ্জন কৰা হ'ল, তেওঁলোকক শ্ৰেণীলৈ যোৱাটো বন্ধ কৰা হ'ল। এই ধৰণে চলি থাকিলে ছাত্ৰ সকল আৰু ব্যক্তিৰ বৌদ্ধিক বিকাশ সম্ভবপৰ নহয়। আমি যিমানেই শিক্ষা বিভাগত টকা খৰচ নকৰো কিয় ১৫৬ কোটিৰ লগত আৰু টকা যোগ দিলেও শিক্ষাৰ কোনো গুণগত পৰিবৰ্ত্তন নহব। গতিকে এই গুনগত পৰিবৰ্ত্তনৰ কাৰণে আমি গভীৰ ভাবে চিন্তা কৰিব লাগিব। কিন্তু দুখৰ বিষয় আজি সদনত শিক্ষাৰ নিচিনা গুৰুত্বপূৰ্ণ আলোচনা চলি থকা সময়তো আমাৰ মন্ত্ৰী সভাৰ মাত্ৰ ৭ জন সভ্য উপস্থিত আছে। এই শিক্ষা বিষয়টোয়েই গোটেই দেশখনৰ সকলোবিলাক কথা সামৰি লৈছে। এইখন দেশতেই, ভাৰতবৰ্ষতেই গুৰু গৃহত থাকি ছাত্ৰই উপনিষদৰ শিক্ষা লাভ কৰিছিল। ছাত্ৰই কান্ধত খৰিৰ ভাৰ লৈ যেতিয়া গুৰুৰ ওচৰলৈ গৈছিল বেদান্তৰ শিক্ষা লাভ কৰিবলৈ তেতিয়া গুৰুৱে শিষ্যক বহু সময়ত এবছৰৰ পিচত আহিবলৈ কওঁতেও ছাত্ৰই কোনো আপত্তি নকৰি পুনৰ বহু কষ্ট কৰি এবছৰৰ পিচত বেদান্ত শিক্ষা লাভ কৰিবলৈ গুৰুৰ ওচৰলৈ আহিছিল। তেনে এখন দেশতেই আজি ছাত্ৰই বিশ্ববিদ্যালয়ক নিৰ্দ্দেশ দিয়ে পৰীক্ষা পতাৰ তাৰিখ নিৰ্দ্ধাৰণ কৰিবলৈ। বিশ্ববিদ্যালয়ৰ শ্ৰদ্ধেয় উপাচাৰ্য্যই আৰু স্কুল কলেজৰ অধ্যক্ষই আজি পৰীক্ষা পাতিব নোৱাৰা হ'ল। ছাত্ৰৰ নিৰ্দ্দেশতহে কাম কৰিব লগীয়া হ'ল। অলপতে মোৰ শিক্ষাগুৰু শ্ৰদ্ধেয় ৰাধাকান্ত দাস ডাঙৰীয়াৰ মৃত্যুত বৰপেটাত শোকসভা পাতিছিল। তাৰ পিচত বিশেষ ভাবে খবৰ পালো যে ছাত্ৰ সকলে কলেজৰ অধ্যক্ষলৈ চিঠি দিছে তেওঁ কিয় কলেজত ৯ বজাত উপস্থিত নহয়। অধ্যক্ষক ৯ বজাত কলেজত উপস্থিত হবলৈ ছাত্ৰই চিঠিৰ জৰিয়তে নিৰ্দ্দেশ দিয়ে। যত শিক্ষক, ছাত্ৰৰ ফ্ৰেণ্ডচ, ফিলোচফাৰ এণ্ড গাইড' হব লাগে তাৰ ঠাইত আজি কালি ছাত্ৰইহে শিক্ষকৰ 'ফ্ৰেণ্ড, ফিলোচফাৰ এণ্ড গাইড' হ'ল। এনে অনুশাসনহীনতা আজি কালি ছাত্ৰৰ মাজত চলিছে। কোনেও কাৰো কথা নুশুনে। মই শুনিছো এজন শিক্ষা বিভাগৰ উচ্চ বিষয়াই নিম্ন বিভাগৰ এজন বিষয়াক পৰিদৰ্শন কৰি কিছুমান দুৰ্নীতি ধৰা পেলায়। কিন্তু পিচত নিম্ন বিষয়াজনে উচ্চ বিষয়াজনক বুঢ়া আঙুলি দেখুৱাই দি কলে আপুনি মোক কি ডাল কৰিব ? অমুক মোৰ নিজৰ মন্ত্ৰী। এতিয়া সেই উচ্চ

বিষয়াজন হতাশ হৈ পৰিছে কাৰণ তেওঁৰ ভয় হৈছে ওলোটাই তেওঁৰহে কিজানি শাস্তি হব। এই বিষয়ে মই মন্ত্ৰী মহোদয়ক ব্যক্তিগত ভাৱে কম। এইদৰে তলৰ পৰা ওপৰলৈকে শিক্ষা বিভাগত দুৰ্নীতি চলি আছে। এইবিলাক কথা চৰকাৰেও জানে, ডি পি আই, ও জানে। অলপতে বৰ নগৰ কলেজৰ অধ্যক্ষই এজন লৰাক দুবাৰ চাৰ্টিফিকেট দিবলগা হৈছে। প্ৰথমতে কিছুমান মানুহ আহি কলে যে লৰাজন চি পি এম। গতিকে তেওঁ ইয়াত পঢ়া বুলি চাৰ্টিফিকেট দিব নালাগে। অধ্যক্ষও ছাত্ৰজনক তেওঁৰ কলেজৰ ছাত্ৰ নহয় বুলি চাৰ্টিফিকেট দিলে। কিন্তু পিচত ডি পি আই অফিচত গণ্ডগোল লগাত কিছুমান মানুহে কলে যে লৰাজন আচলতে চি পি এম নহয় 'আমাৰ' মানুহে। অধ্যক্ষই তেতিয়া আকৌ এবাৰ চাৰ্টিফিকেট দিলে লৰাজন তেওঁৰ কলেজত পঢ়ে বুলি। অধ্যক্ষৰ নিচিনা মানুহ এজনে এনেধৰণৰ কাম কেনেকৈ কৰিব পাৰিলে? হাজিৰা বহীত লৰাজনৰ নাম আছে। গতিকে এনেকুৱা ঘটনা কেনেকৈ হবলৈ পালে? অকল তাতেই নহয় গোটেই দেশ খনতেই এণেধৰণৰ প্ৰশাসনহীনতাৰ খেলিমেলি চলি আছে। তাৰ ফলতেই এনেকুৱা কাণ্ড হবলৈ পাইছে। শিক্ষা বিভাগ দুৰ্নীতিৰে ভৰি পৰিছে। আজি বহুত ছাত্ৰই বৃত্তি পোৱা নাই। বৃত্তিৰ কাৰণে ১৩ লাখ টকা এইবাৰ ধৰা আছে, কিন্তু ছাত্ৰই পোৱা নাই। কিছুমান শিক্ষকৰ পৰা গম পাইছো যে বৃত্তিৰ টকাৰে তেওঁলোকক দৰমহা দিয়া হৈছে। বৃত্তিৰ টকা খৰছ কৰিছে কিন্তু তাৰ কোনো হিচাপ নাই। বৃত্তিৰ টকা জমা হৈ থাকে, তাৰে শিক্ষকে দৰমহা লয়। বৃত্তিৰ টকাৰে পুজি গঠন কৰিছে। কিন্তু এইবোৰ কি হৈছে? কোনোবা এজন দুখীয়া ছাত্ৰই এটা বৃত্তি পায়, সেই টকা কিটা পালে তেওঁৰ কিমান সহায় হয়। বা এজন ধনী মানুহৰ লৰাই যদি নিজৰ যোগ্যতাৰে পাইছে, তেওঁও পাওক তেতিয়াহে তেওঁৰ উৎসাহ বাঢ়িব। এই দুৰ্নীতি বিলাক কোনে কৰিছে? ডি, আই, এচ আইয়ে কৰা নাই। আমাৰ চকুত সাধাৰণতে ডি, আই, এচ, আইহে পৰে। কিন্তু অফিচৰ বৰকেৰাণী আদিৰ পৰা যি দুৰ্নীতি সেইটোত চকু নিদিওঁ। আচলতে আমি এতিয়া সেইবোৰকে চকু দিব লাগিব। তোওঁলোকেই এই কথাবোৰ একেবাৰে বে-কায়দাত পেলাই থৈছে। ৰাজহুৱা ধনৰ অপব্যৱহাৰ কৰা মানুহ বোৰক আমি শাস্তি দিবই লাগিব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰি

কৈছো যে তেখেতে কলবোৰ পৰিবৰ্ত্তন কৰক। এই মানুহ বোৰৰ কলেজত নিজস্ব এটা বাহিনী আছে। এই বাহিনীয়ে কলেজ নিয়ন্ত্ৰন কৰে। এনে উদাহৰণ অসমত বৰ কম নহব। এই বিলাক অলপ চাব লাগে। তাৰোপৰি আমি দেখিছোঁ অকল গুৱাহাটীতে নহয় অসমৰ বিভিন্ন ঠাইত মাতৃভাষাৰ প্ৰতি লৰা ছোৱালীৰ বিতৃষ্ণা বঢ়াই নিয়া হৈছে। এইটো শিক্ষা বিভাগৰ ব্যৰ্থতা। অকল গুৱাহাটীতে এতিয়া ৪০ খন ইংৰাজী ভাষাৰ স্কুল আছে। ইয়াত মজলীয়া আৰু প্ৰাইমেৰী ষ্টেজৰ পৰাই ইংৰাজী শিক্ষা দিয়া হয়। ফলত এই কন কন লৰা ছোৱালীবোৰ সৰুৰে পৰাই মাতৃভাষাৰ প্ৰতি আকৃষ্ট নহৈ এটা বিদেশী ভাষাৰ প্ৰতিহে আকৃষ্ট হয়। মই কওঁ সকলোতে অসমীয়া বাধ্যতামূলক কৰক। বড়ো ভাষী লৰা ছোৱালীয়ে নিজৰ মাতৃভাষাত আৰু কাৰবি লৰা ছোৱালীয়ে ও তেওঁলোকৰ ভাষাত পঢ়াৰ সুবিধা মুকলি কৰি দিয়ক। চৰকাৰেই এইবিলাক সুবিধা দিব লাগিব।

তাৰোপৰি আজি পাঠ্যক্ৰমৰ ক্ষেত্ৰত চৰকাৰে অধিক বোজা জাপি দিছে। ৫ ম মানৰ ছাত্ৰ এজনে সংস্কৃত, আৰবী, হিন্দী আদি চাৰিটামান ভাষা বেছি পঢ়িব লগীয়া হৈছে। ছাত্ৰ ছাত্ৰীৰ নিজৰ মাতৃভাষাৰ প্ৰতি আকৰ্ষণ কমি যোৱাৰ ইও এটা কাৰণ। এলিমেণ্টেৰী ষ্টেজত ৫ ম মানৰ পৰাই সংস্কৃত, আৰবি আদি পঢ়িব লগা হোৱাত বহুতেই আৰবিক আদি নপঢ়ে। এইবোৰ ব্যৱস্থাৰ পৰাই মাতৃভাষাৰ প্ৰতি আকৰ্ষণৰ ঠাইত বিকৰ্ষণহে হৈছে। কোন শিক্ষাবিদৰ লগত আলোচনা কৰি এইটো কৰিছে মই ভাবি পোৱা নাই।

উপাধ্যক্ষ মহোদয়, মই এইখিনিতে আৰু এটা কথা কওঁ যে আমাৰ লৰা-ছোৱালীবিলাকক দিনে দিনে মাতৃ ভাষাৰ পৰা আতৰাই নিয়া হৈছে। আজি গুৱাহাটীৰ ভিতৰতেই বহুতো ইংৰাজী মাধ্যমৰ স্কুল খুলি দিয়া হৈছে আৰু তাত অসমীয়া মধ্যবিত্ত মানুহেও নিজৰ লৰা-ছোৱালীক পঢ়োৱাৰ দিহা কৰিছে। ইয়াৰ কাৰণ কি, মই বুজি নাপাওঁ। আজি আমাৰ চৰকাৰে কব পাৰে যে লৰা-ছোৱালীক কৰ্ম্মমুখী শিক্ষা দিব লাগে আৰু তাৰ বাবেই কৰ্ম্মমুখী শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। সেইমতে আজি অসমৰ হাইস্কুলকে ধৰি বিভিন্ন স্কুলবোৰত কৰ্ম্ম অভিজ্ঞতা নামেৰে এটা পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। কিন্তু মোৰ বোধেৰে এনে কৰ্ম্ম

অভিজ্ঞতাৰ পৰা আমাৰ কোনো লাভ হোৱা নাই। কিয়নো বহু ক্ষেত্ৰতেই আমি দেখিবলৈ পাইছো যে লৰা-ছোৱালীয়ে তেওঁলোকৰ পৰীক্ষাত পাছ কৰিবৰ কাৰণে বজাৰৰ পৰা ভাল ভাল বস্তু কিনি নি সেইবোৰ দেখুৱাই ভাল নম্বৰ লৈ পৰীক্ষাত পাছ কৰি যায়। যোৱা বছৰ এজন লৰাৰ ক্ষেত্ৰত দেখা পালো যে তেওঁ অকল কৰ্ম্ম অভিজ্ঞতাৰ নম্বৰৰ কাৰণেই প্ৰথম বিভাগ নাপালে— কাৰণ তেওঁ কৰ্ম্ম অভিজ্ঞতাৰ বস্তুটো বজাৰৰ পৰা কিনি নিব নোৱাৰিলে আৰু সেইবাবেই তাত নম্বৰ কম পালে। গতিকে আপোনালোকে চাওক সেই লৰাজনৰ ভাগ্য কেনেকৈ নিৰ্ণয় কৰা হল।

আজি আমাৰ উচ্চতৰ মাধ্যমিক স্কুলবোৰতো 'এডুকেশ্যন' বিষয়ত পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। কিন্তু যি হিচাপে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে সেই অনুপাতে শিক্ষক দিয়া হোৱা নাই। সেইদৰে উচ্চ ইংৰাজী স্কুলবোৰতো যি অনুপাতে শিক্ষক নিযুক্তি দিব লাগে সেইমতে শিক্ষক দিয়া নাই। যদি আমি শিক্ষক আৰু সা-সুবিধাবোৰ দিব নোৱাৰো তেনেহলে নতুন নতুন পাঠ্যক্ৰম প্ৰচলন কৰি তাৰ পৰা কোনো লাভ নহব।

ইয়াৰোপৰি আমি আন এটা কথা লক্ষ্য কৰিব লাগে যে আমাৰ স্কুল বোৰ শৃংখলাবদ্ধ ভাবে পৰিচালিত হৈছে নে নাই। আজি আমাৰ স্কুলবোৰত এনে কিছুমান বিষয়ত লৰা-ছোৱালীক শিক্ষাদান কৰিব লাগে যিটোৰ পৰা আমাৰ লৰা-ছোৱালীৰ মনত উদয় হয় গণতান্ত্ৰিক মূল্য বোধ। আমাৰ লৰা-ছোৱালীক গণতান্ত্ৰিক মূল্যবোধৰ শিক্ষা দিয়া হওক, তেওঁলোকক নিজক বুজিবলৈ আৰু স্বাৱলম্বী হবলৈ শিক্ষা দিয়া হওক। তেতিয়াহে তেওঁলোকে নিজকে বুজি পাব আৰু আজি দেশত যিটো অৱস্থাৰ সৃষ্টি হৈছে সেইটো নাইকিয়া হব। আজি আমাৰ বহুতো এম, এল, এ আৰু মন্ত্ৰীৰ লৰা-ছোৱালী স্কুললৈ যাব নোৱাৰা অৱস্থা হৈছে। উদাহৰণ স্বৰূপে আমাৰ শ্ৰীৰবিৰাম দাসৰ ছোৱালীক স্কুলৰ পৰা উলিয়াই দিলে। কেইদিনমান আগতে মই তেখেতৰ ছোৱালীজনীক লগ পাই সুধিলো—'মাজনী স্কুললৈ যোৱা নাই নেকি'? তেতিয়া তেওঁ কলে যে স্কুললৈ গলেই লগৰ লৰা-ছোৱালীয়ে মাৰিবলৈ ওলায়। গতিকে আৰু স্কুললৈ নাযাওঁ। এনে ধৰণৰ ঘটনা অসমৰ আৰু বহু ঠাইতে হৈছে। ইয়াৰ কাৰণ হল সেইবোৰ লৰা-ছোৱালীৰ হয়তো দেউতাকে নাইবা কোনোবা

আপোনজনে যোৱা নিৰ্ব্বাচনত প্ৰতিদন্দিতা কৰিছে নাইবা তাক সমৰ্থন দিছে। কোনোবাই চি, পি, এম কৰিছে বা কোনোবাই পি, টি, চি কৰিছে নাইবা কোনোবাই আই কংগ্ৰেছত যোগ দিছে। এইবোৰ কাৰণতেই তেওঁলোকক বৰ্জন কৰা হৈছে।

গতিকে এই আটাইবোৰ কেৰোণ নাইকিয়া কৰিবৰ কাৰণে আমাৰ শিক্ষা বিভাগটোৰ প্ৰসাশনীয় দিশটো নিকা আৰু শক্তিশালী কৰিব লাগে। আজি আমাৰ শিক্ষা বিভাগটোত যি অৰাজকতা চলি আছে তাক সকলোৱে স্বীকাৰ কৰি আমাৰ মন্ত্ৰী সভাখনে এই কথাবোৰত গুৰুত্ব দিব লাগে আৰু তেতিয়াহে শিক্ষা বিভাগৰ নামত যিমান টকা ধাৰ্য্য কৰা হৈছে সেই টকাৰ প্ৰকৃত ব্যৱহাৰ কৰিব পাৰিম আৰু আমাৰ লৰা-ছোৱালীক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব পাৰিম।

উপাধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা সদনৰ দৃষ্টিগোচৰ কৰিব খুজিলো— সেইটো হৈছে কিছুমান 'নন্-ফৰমেল' পদৰ কথা। কেইদিন মান আগতে মোৰ ওচৰলৈ দুজনমান লৰা অহিছিল—তেওঁলোকে মোক কলে যে 'চাৰ, আপুনি আমাৰ এই দৰখাস্ত কেইখন ৰিকামেণ্ড কৰি দিব লাগে'। মই চাই দেখিলো যে সেই কেইখন কেইটামান এম, ই স্কুলৰ চাকৰিৰ কাৰণে কৰা আবেদন। মই নিজে আচৰিত হলো। মই জনাত এম, ই স্কুলত কোনো 'নন. ফৰমেল' চাকৰিৰ পদৱী নাই। কিন্তু লৰা-কেইজনে কলে যে আজি কালি হেনো এম, ই স্কুলতো এই পদটোৰ সৃষ্টি কৰা হৈছে। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে এই বিষয়ত পৰামৰ্শ আগ বঢ়াব বুলি আশা কৰিলো।

এইবোৰৰ বাহিৰেও আৰু কিছুমান কথা আমাৰ সদনে চিন্তা কৰি চোৱা উচিত। সেইবোৰ হৈছে বহুতো ক্ষেত্ৰত গাওঁৰ লৰা-ছোৱালীবোৰে শিক্ষা বাদ দি স্কুল এৰিব লগা হয় কিয়? মই নিজে ১৯৬১ চনত উজনি অসমৰ মেজেঙ্গা নামৰ এখন চাহ বাগানত চাৰ্ভে কৰিছিলো— ইয়াৰ বিষয় আছিল এইবোৰ ঠাইৰ লৰা-ছোৱালী স্কুললৈ নাযায় কিয় বা স্কুল এৰি যায় কিয়? শেষত দেখা গল ইয়াৰ অন্যতম কাৰণ হল এইবোৰ ঠাইৰ অভিভাবক সকলৰ অৰ্থাভাব। স্কুললৈ যোৱা লৰা-ছোৱালীক তেওঁলোকৰ অভিভাবকে সময়মতে খাব দিব নোৱাৰে আৰু স্কুলৰ বাবে প্ৰয়োজনীয় কিতাপ আৰু কানি কাপোৰ যোগান ধৰিব নোৱাৰে।

গতিকে এইবোৰ কথা আমাৰ চৰকাৰে চিন্তা কৰি চাব লাগে আৰু তেনে-বোৰ অসুবিধা আতৰোৱাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। অৱশ্যে চৰকাৰে এতিয়া এনে কিছুমান ব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হৈছে—কিন্তু সেইবোৰৰ সদ্ব্যৱহাৰ হৈছে নে নাই সেইটোও লক্ষ্য কৰিব লগা বিষয়। এনেবোৰ ব্যাৱস্থা লবলৈ যাওতে আমি একাদিক্ৰমে আৰু কিছুমান ঠাইক ভিত্তি কৰি ললে আৰু যি ঠাইত এনেবোৰ ব্যৱস্থা লোৱা হয় আৰু তাৰ নামত পইচা খৰচ কৰা হয় সেইবোৰৰ 'ইউটিলাইজেশ্যন চাৰ্টিফিকেট'ত গুৰুত্ব দিব লাগে। তেতিয়াহে প্ৰকৃত কাম আৰু খৰচৰ হিচাপ আমি বুজিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, এই যে, মঞ্জুৰীৰ টকাবিলাক বিতৰণ নকৰে আৰু বিতৰণ কৰা টকা বিলাকৰো 'ইউটিলাইজেশ্বন চাৰ্টিফিকেট' নলয় এইটো চাব লাগিব। কলেজ বিলাকতো এই চাৰ্টিফিকেট নাই। মই কেইখনমান কলেজৰ 'অডিট ৰিপৰ্ট' চাইছো, তাতো ইউটিলাইজেশ্বন চাৰ্টিফিকেট' নাই। এইদৰে লাখ লাখ টকাৰ 'ইউটিলাইজেশ্বন চাৰ্টিফিকেট' নাই। প্ৰাইমেৰী স্কুলৰ পৰা কলেজলৈ বছৰি কোটি কোটি টকাৰ মঞ্জুৰী দিয়া হৈছে বা হয় গৃহ-নিৰ্মাণ বা মেৰামতিৰ কাৰণে। এই টকা বিলাক সঠিক ভাবে খৰছ হৈছেনে নাই তাৰ কাৰণে ইউটিলাইজেশ্বন চাৰ্টিফিকেট 'বিচাৰিব লাগে। যি বিলালে খেলিমেলি কৰে সেইবিলাকক শাস্তি দিব লাগে। ৰাজহুৱা ধনৰ যি সকলে খেলা কৰে সেই সকলক কঠোৰ শাস্তি দিব লাগে। ওপৰৰ পৰা এই ক্ষেত্ৰত কোনো ধৰণৰ হস্তক্ষেপ হব নেলাগে। ব্যক্তিগত স্বাৰ্থ সদায় চাই থাকিলে নচলিব। এইখিনি কৈয়েই মই মোৰ বক্তব্য সামৰিলো।

শ্ৰীনেপাল চন্দ্ৰ দাস :—মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্তন প্ৰস্তাবের বিরোধীতা করে আমি ব্যক্তিগত ভাবে ২–১ টা পরামর্শ আপনার মাধ্যমে মন্ত্ৰী মহোদয়কে জানাতে চাই। আশা করি তিনি তার বিহিত ব্যৱস্থা গ্ৰহণ করবেন। এই বিধান সভায় এই বিভাগের অব্যৱস্থা সম্পর্কে অনেক সদস্য অনেক কথা বলেছেন। আমি একটা পরামর্শ অনেকদিন যাবত দিয়ে আসছি এম্ ভি ভেঞ্চার স্কুল সম্পর্কে। শুধু এই বিভাগেই ভেঞ্চার স্কুল গুলিতে দেখা যায় অনেক শিক্ষিত যুবক দিনের পর দিন ছেলে মেয়েদের শিক্ষাদান করে আসছে এবং নিজের চাকুরীর বয়স চলে

যাওয়ায় আর কিছু করতে পারছে না অথচ সরকারও স্কুলগুলিকে গ্রহণ করছে না। এমন বহু স্কুল কাছার জেলায় ও করিমগঞ্জ জেলায় এখনো আছে। এ গুলোকে সরকার গ্রহন করবেন কি না বুঝতে পারছি না। তাই মন্ত্রী মহোদয়কে অনুরোধ করব যাতে এগুলি সরকারী করনের ব্যবস্থা সত্বর করা হয়। অনেক শিক্ষক এমন কি ক্লাসিকেল শিক্ষক ও ১৯৭৫ ইংরাজী থেকে কাজ করে আসচে কিন্তু কিছু হচ্ছে না। এই ব্যাপারে একটা হাই পাওয়ার এনকোয়ারী কমিটিও করা হয়েছিল যে এই বিভাগ ঠিক ঠিক কাজ করছে কিনা। কিন্তু তার কি ফল হলো জানি না। কিন্তু কিছুদিন আগে পূর্ববর্তী সরকার একটা নীতি ঠিক করেছিলেন যে ১৯৭৭ ইং পর্যন্ত যে সব স্কুল ভেঞ্চার আছে তাদের সরকারীকরন করা হবে। কিন্তু আজ পর্যন্ত কি হলো বুঝতে পারছি না। আমি এই ব্যাপারে মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি। তাছাড়া অনেক হাইস্কুল আছে যেখানে এডিশনেল পোষ্ট' এ ক্লাসিকেল টিচার কাজ করছে অথচ তাদের সার্ভিস সরকারী করন হয় নাই। আমার জনামতে অনেক শিক্ষক ১৯৭৪ ইং থেকে কাজ করছে অথচ হয় নাই। তাদের বয়স চলে গিয়েছে। আরেকটা কথা হলো স্কুলগুলিতে ইন্সপেকশান হয় না। ৭-৮ বৎসর আগে যে ষ্টাফ ছিল, আজও আছে অথচ ছাত্রের সংখ্যা ১০ গুণ বেড়েছে। সুতরাং যাতে মাসে অন্ততঃ একবার ইন্সপেক্শন হয় এবং ষ্টাফে'র সংখ্যা বৃদ্ধি হয় সেদিকে সরকারের দৃষ্টি আকর্ষণ করছি। তাছাড়া অনেক স্কুল আছে তার চাল, বেড় ইত্যাদি নাই। সুতরাং স্কুলগুলি যাতে সুন্দর ও উপযুক্ত করা যায় তার ব্যবস্থা যেন করা হয়।

আর একটা কথা সরকারের দৃষ্টি আকর্ষণ করছি। সেটা হলো যে ২৬০০ ভেঞ্চার এল পি স্কুল সরকার গ্রহণ করেছেন—তারমধ্যে সিডিউল কাষ্টের এরিয়ার অনেক স্কুল বাদ পড়েছে।

Mr. Speaker :—I hope the hon'ble member will try to complete his speech by 11-30 a. m.

শ্রীনেপাল চন্দ্র দাস :—এই ব্যাপারে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করছি এবং কর্তন প্রস্তাবের বিরোধিতা করে আমার বক্তব্য শেষ করছি।

শ্রীহেমপ্রকাশ নাৰায়ণ :—মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত আগ-বঢ়োৱা পৰামৰ্শৰ ওপৰতে মই মোৰ বক্তব্য ৰাখিম। মাননীয় অধ্যক্ষ

মহোদয়, পৰবৰ্ত্তিত সমাজ ব্যৱস্থাৰ লগত নিজকে খাপ খুৱাই লব নোৱাৰা পৰিস্থিতিটোৰ কাৰণে এই শিক্ষাব্যৱস্থকে দায়ী কৰিব লাগিব। ইয়াৰ কাৰণে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে আমাৰ শিক্ষা ব্যৱস্থাটোৰ আমূল পৰিবৰ্ত্তন সাধন কৰিব লাগে। এইখিনিকে কৰিব নোৱাৰিলে আমাৰ চৰম দুৰ্ভাগ্যৰ কথা হব।

Mr. Speaker :—Order, order. The hon'ble member will resume his speech the next day. The House stands adjourned till 10 a. m. on 12th September, 1983.

## ADJOURNMENT

The House the rose at 11-30 A.M. and stood adjounment till 10 A.M. on Monday, the 12th September, 1983.

Dated Dispur
The 9th September, 1983

P. D. Barua
Secretary
Assam Legislative Assembly